# অৰ্থ, পদবী আৰু জীৱন সংগ্ৰাম

ডাঃ ৰাজকুমাৰ দাস
প্ৰাক্তন ছাত্ৰ

বৰ্তমান মানুহৰ জীৱনৰ অতি আৰশ্যকীয় প্ৰয়োজন হ'ল অৰ্থ। সেইকাৰেণে প্ৰত্যেক ব্যক্তিয়ে অৰ্থ আহৰণৰ বাবে নিৰবিছিন্ন, বীৰামহীন ভাৱে দৌৰি আছে। এই অৰ্থ উপাৰ্জন দুই ধৰণে কৰিব পাৰি - (১) অসৎ পন্থা (২) সৎ পন্থা।

অসৎ পন্থা ঃ এই পন্থাৰে অৰ্থ উপাৰ্জন কৰা দেখাদেখিঁকৈ অতি সহজ আৰু কাল্পনিক ভাৱে অজস্ৰ টকা এই উপায়েৰে আৰ্জিব পাৰি। কিন্তু ব্যৱহাৰিক দিশত ই ইমান সহজ নহয়। তলত ইয়াৰ অসুবিধাসমূহ সংক্ষেপে আলোচনা কৰা হ'ল -

এই ক্ষেত্ৰত প্ৰথম বিপৰ্যয় হ'ল আপুনি আপোনাৰ সকলো মানৱীয় মূল্যবোধ যেনে- সাধুতা, সত্যতা, দয়া, ক্ষমা, আত্মবিশ্বাস, আত্মসন্মান আদি পৰিত্যাগ কৰাৰ লগতে আপোনাৰ সকলো প্ৰতিজ্ঞা আৰু প্ৰাৰম্ভিক বিবেক বিবেচনা আদি জলাঞ্জলি দিব লাগিব। এইটো ইমান উজু নহয় যে আপোনাৰ নিজস্ব সকলো মানৱীয় মূল্য ত্যাগ কৰা, অতি নিম্নমানৰ মনোবৃত্তি আৰু নিকৃষ্ট পৰিয়ালত জন্মগ্ৰহণ কৰা সকলৰ বাবেহে ই সম্ভৱ।

অসৎ পন্থাৰে অৰ্থ আৰ্জিব আৰু ৰাখিব পাৰিব যদি আপুনি তলৰ কথাবোৰ আয়ত্ব কৰে -

কথা কোৱাৰ ধাৰাবাহিকতা ঃ আপুনি আপোনাৰ দিশত কথাকোৱাৰ নিখুট ধাৰাবাহিকতা বজাই ৰখাৰ লগতে আপুনি আগতে মিছা মতাবোৰ মনত ৰাখিব লাগিব আৰু সেইবোৰ বৰ্তমানে মিছা মতাৰ লগত সন্দুৰ ধাৰাবাহিকতা বজাই ৰাখিব লাগিব। যদি আপোনাৰ অমনোযোগিতাৰ বাবে যিকোনো সময়ত বা কাৰণত ইয়াৰ মাজত ব্যৱধান বাঢ়ে বা পলম হয় আপোনাৰ মিছলীয়া দাৰ্শনিক ধাৰাবাহিকতা গোটেই প্ৰক্ৰিয়াটো মিছা বুলি প্ৰকাশ পাব আৰু আপুনি এক ডাঙৰ বিপদৰ সন্মুখীত হ'ব। এই কলাবিধ ইমান সহজ নহয় যি নেকি ঠিক মিছলীয়া ক্ষণতহে জন্ম গ্ৰহণ কৰি নাহে।

আপুনি মানুহৰ মনোবৈজ্ঞানিক দুৰ্বলতা চিনাক্ত কৰাৰ কৌশল আয়ত্বত আনিব লাগিব যাতে সেই দুৰ্বলতাবোৰ আপোনাৰ অভিপ্ৰায়ত প্ৰয়োগ কৰিব পাৰে। এইটো এটা আপোনাৰ দুষ্টবুদ্ধিৰ আৱশ্যকীয় আহিলা, অন্যথা আপুনি যিকোনো মুহূৰ্তত প্ৰতাৰিত হ'ব পাৰে। অৱশ্যে সাধাৰণ জীৱনৰ সৰুসুৰা টালিবাজি কথা, বিভিন্ন দিশত মিছামতা কহপহীয়া কথা কোৱা আৰশ্যক যিনেকি প্ৰতিপত্তি বৃদ্ধিৰ সহায়ক যেনে ধৰক আপুনি বিভিন্ন জনক বিভিন্ন ধৰণে উপকাৰ কৰিছে, প্ৰলোভনেৰে ওচৰৰ মানুহক বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দিয়া যেনে পঞ্চায়তৰ কাম, মহাবিদ্যালয়ৰ নামভৰ্ত্তি, ডিপ্ল'মা, বিভিন্ন চাকৰিৰ যোগসূত্ৰ আদি কিছু টকা খৰছ কৰিলে জটিল কামো সহজ হৈ পৰে ইত্যাদি। এইবোৰ সাধাৰণতে কিছু জটিল কাৰণ বৰ্তমান ভুক্তভোগীবোৰ কিছু সচেতন আৰু তেওঁলোকৰ দুৰ্বলতাৰ সুযোগ লৈ অপেক্ষাৰত হ'ব লাগে, যাৰফলত এইধৰণৰ পদ্ধতিত আপুনি বিচৰা মতে অৰ্থ উপাৰ্জন কৰিব নোৱাৰে, কিন্তু ভাগ্যই বিভিন্ন দিশত একেলগে হাত মেলিলে এই অসৎ পন্থাটো আপুনি ঐশ্বৰ্যশালী হৈ পৰিব।

আপুনি নিশ্চিতভাৱে এই কলা পৰিচালনা কৰিব পাৰিব লাগিব, আপুনি এজন উচ্চপদ মহত্বৰ ব্যক্তি, আপুনি কামৰ কাৰণে বিভিন্ন বিষয়ৰ ওচৰত বিভিন্ন ধৰণে খাতনি কৰিছে, তেওঁলোকৰ কামৰ কাৰণে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে য'ত তেওঁলোকে খৰছ কৰা অৰ্থৰ তুলনায়ে নহয়, কামবোৰ আনৰ বিধিপথালিৰ বাবেহ হোৱা নাই, ইত্যাদি। আপুনি আপোনাৰ প্ৰকৃত মন আৰু আপোনাৰ বিবেকীয় মূল্যবোধ, ধৰ্মীয় ভাৱ, দয়া, ক্ষমা, স্থিৰতা,আনন্দ আদি চিন্তাৰ ভাৱে আত্মগোপন কৰিব লাগিব, আপোনাৰ বাহ্যিক অহংভাৱৰ ওপৰত যিমান কিয় আপুনি অনুতাপ নকৰক। কাৰণ এটা শব্দ ক'ব গ'লেও আপুনি ভণ্ডামিৰ গৰাকী হৈ পৰিব।

আপুনি এজন তীক্ষ্ণবুদ্ধিৰ গৱাকীৰ লগতে মিতব্যয়ী হ'ব লাগিব। আপুনি অতি নগণ্য হ'লেও এনেয়ে এপইচাও খৰছ নকৰিব যিটো নেকি ঘূৰাই দিব লাগিব আৰু আপুনি কেতিয়াও ইতস্তত নকৰিব আলহী আতিথ্যত আৰু দান দক্ষিণা বৰঙণি আদিত যদি তেওঁলোকে সন্মানীয় ভাৱে আপোনাৰ সহায় বিচাৰিছে।

ওপৰত উল্লেখিত কলাবোৰ সহজ যেন লাগিলেও কাৰ্যক্ষেত্ৰত অতি জটিল আৰু এই কলা আহৰণ কৰা এজন সাধাৰণ মানুহৰ বাবে ইমান সহজ নহয়, যিবোৰ নেকি নিম্নখাপৰ মনোবৃত্তিৰ বংশৰ জন্মতে উপহাৰৰূপে আৰ্জিব লাগিব। কোনো কাৰণতে এই কলাবোৰ ব্যৰ্থ হ'লে আৰু ব্যৱহাৰিক প্ৰয়োগত পিছলি গ'লে, আ পুনি এই কলাবোৰ আওকাণ কৰিলে গোটেই বিষয়টোৰ ষড়যন্ত্ৰ প্ৰকাশ পাব, যাৰফলত আপুনি বহু বিপৰ্যয় আৰু আপোনাৰ আৰ্জিত অৰ্থতকৈ বহু বেছি লোকচান হ'ব।

সৎ পন্থাৰে আৰ্জিত অৰ্থ ঃ ওপৰত উল্লেখ কৰাবোৰৰ লগত তুলনা কৰিলে এই পন্থা অতি কষ্টসাধ্য আৰু দুৰ্লভ আৰু অৰ্থ উপাৰ্জন কৰা কঠিন।

আপুনি আপোনাৰ শক্তি, বুদ্ধি, দক্ষতা, ভক্তি, দয়া, ক্ষমা, কৰ্মপটুতা আদি মানবীয় মূল্যবোৰ জনসাধাৰণৰ বাবে নিস্বাৰ্থ আৰু কাৰ্যদক্ষতাৰে প্ৰকাশ কৰিব লাগিব।

এই সকলোবোৰ কৰাৰ পিছতো আপুনি নিজকে চম্ভালিব লাগিব, আপোনাক প্ৰলোভন দি সহজভাৱে অৰ্থ উপাৰ্জনৰ বহুতো সুযোগ আপোনালৈ আগবঢ়াব, এইবোৰৰ পৰা আতৰি থকাটো বৰ কঠিন, কিন্তু আপুনি এই পথেৰে আগবাঢ়ি যাব পাৰিলে আপোনাৰ সুখ্যাতিৰ লগতে অৰ্থ উপাৰ্জনৰ পথত সুগম হৈ পৰিব।

যদি আপুনি কষ্ট আৰু দুঃসাহসেৰে জনসাধাৰণৰ মাজত আপোনাৰ সন্দেহীভাৱৰ অৱকাশ ঘটাই সত্য আৰু নিষ্ঠাৰে আপোনাৰ লক্ষ্যত উপনীত হয়, অৰ্থ উপাৰ্জনৰ ক্ষেত্ৰত আপুনি স্বাৱলম্বী হোৱাৰ লগতে আপুনি আপোনাক জয় কৰাৰ লগতে জনসাধাৰণৰ মাজত আপুনি বিশ্বাস আৰু আস্থাৰ পুৰোহিত হ'ব। আপুনি আপোনাৰ অতীতক পাহৰি যাব, আপুনি কাৰো ওচৰত মূৰ দোৱাব বা সৈমান কৰাব নালাগে, আপুনি উৎসাহেৰে সকলোৰে লগত হৃদয়ৰ ভাৱপ্ৰকাশ কৰিব পাৰিব, ৰাইজৰ আশাবাদী হোৱাৰ লগতে আশীৰ্বাদ আৰু বহুতো গুৰু দায়িত্ব আপোনালৈ মুক্তহস্তে আগবঢ়াব। ( লেখকে এইবোৰভুৱা বক্তৃতাৰ আবৃত্তি কৰা নাই, অতি কম দিনৰভিতৰত ব্যক্তিগত জীৱনৰ বিভিন্ন দিশত অনুভৱ কৰিছোঁ)।

**পদ বা পদবী ঃ**

পদবী বা ক্ষমতা আহৰণৰ দুই ধৰণৰ প্ৰতিযোগিতা দেখা যায় -

(ক) চৰকাৰী বা কোনো সমিতিৰ দ্বাৰা দিয়া বা যচা পদ

(খ) অনাচৰকাৰী বা সমাজিক, ৰাজনৈতিক আৰু ব্যৱহাৰিক সংস্থাৰ পদ।

এইবিধ আৰু দুই ধৰণৰ (ক) সৎ পন্থা আৰু আইন সিদ্ধ (খ) অসৎ পন্থা বে-আইনী।

চৰকাৰী বা সমিতিৰ পদবী গ্ৰহণ কৰা অন্য দিশতকৈ সহজ, অসৎ পন্থাৰে এই পদ বা পদবী লাভ কৰা সহজ, এই ক্ষেত্ৰত আপুনি উল্লেখিত দিশবোৰ ব্যৱহাৰ কৰিব পাৰে -

(ক) আপুনি আহৰণ কৰিবলগীয়া পদটো সঠিকভাৱে নিৰ্দ্ধাৰণ কৰি লব লাগে ,পিছত আপুনি প্ৰচাৰ চলাব লাগিব যে এই পদটোৰ বাবে আপুনিয়ে যে একমাত্ৰ যোগ্য প্ৰাৰ্থী আৰু বিভিন্ন জনক মিছা আশ্বাস আৰু প্ৰলোভনেৰে আপোনাৰ প্ৰতিদ্বন্দিক পাকে-প্ৰকাৰে বা লঠিয়াই-গুটিয়াই হ'লেও আঁতৰ কৰিব লাগিব। আপুনি আপোনাৰ ওপৰৱালাৰ হৃদয় জয় কৰিব লাগিব আৰু পতিয়ন (তেল মাৰিব লাগিব) নিয়াই তেওঁলোকৰ প্ৰিয়ভাজন হ'ব লাগিব যাতে আপোনাৰ প্ৰতিদ্বন্দ্বী কোনোৱে নহয়। ইয়াৰ বাবে আপুনি মাত্ৰ আপোনাৰ ব্যক্তিত্ব, আত্মসন্মান আৰু দায় বদ্ধতা ত্যাগ কৰিব লাগিব।

সৎ পন্থাৰে আপুনি সত্যনিষ্ঠা, সাধুতা, নিস্বাৰ্থভাৱে আৰু কাৰ্যদক্ষতাৰে আপোনাৰ কাম কৰিব লাগিব আৰু সকলো দায়িত্ব দক্ষতাৰে পালন কৰিব লাগিব, য'ত আপুনি সকলো দিশত পাৰ্গত বুলি প্ৰমাণিত হ'ব লাগিব । কিন্তু বৰ দুৰ্ভাগ্যৰ কথা যে বৰ্তমান সময়ত অসৎ পন্থাৰে মানুহ ইমান অগ্ৰসৰ হৈছে য'ত সৎ পন্থাটো তুলনায়ে নহয়।

অনাচৰকাৰী ঃ এই পদবীৰ বাবে বহুতো কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লাগে, এই পদবী লাভৰ বাবেও দুই ধৰণৰ পদ্ধতি আছে। বে-আইনী ভাৱে পদ লাভ কৰিবলৈ তলত উল্লেখিত পদ্ধতি পদ্ধতি গ্ৰহণ কৰিব লাগিব

অৰ্থ সামাজিক পদমৰ্যদা ঃ এই ক্ষেত্ৰত আপুনি এনে এক অৰ্থ-সামাজিক স্তৰ বাচিব য'ত আপোনাৰ কোনো প্ৰতি দ্বন্দ্বীয়ে নাই অথবা বংশীয় ৰীতি-নীতি মতে উত্তৰাধিকাৰীসূত্ৰে লাভ কৰিব লাগিব এই মৰ্যদা। এইধৰণৰ পদবীত সাধাৰণতে জনসাধাৰণবোৰ সহজ-সৰল আৰু হোজা

হয়,য'ত আপুনিয়ে সৰ্বশক্তিমান, আপোনাৰ কাৰ্যদক্ষতা থাকক বা নাথাকক।

অৰ্থনৈতিক অৱস্থা ঃ এই ক্ষেত্ৰত আপুনি অৰ্থনৈতিকভাৱে যথেষ্ট প্ৰভাৱী হ'ব লাগিব, ৰাইজৰ মাজত কৌশল-ভাৱে অৰ্থ ব্যয় কৰিব লাগিব আৰু নিজৰ অধীনত আনিব লাগিব য'ত আপুনি লক্ষ্যত উপনীত হ'ব পাৰিব। চৰকাৰী বা অনাচৰকাৰী বিভিন্ন পদত নিয়োগৰ সুবিধা দিয়াৰ লগতে বিভিন্ন সা-সুবিধা দিয়া যেনে- লোন, নিবিদা,পঞ্জীয়ন ইত্যাদি প্ৰলোভন দি এনেকুৱা প্ৰচাৰ চলাব লাগিব যে আপুনিহে, এই পদৰ যোগ্য ব্যক্তি। বৰ গুৰিয়াল মানুহৰ ভাওত শ্লোগান দিয়া, মানুহৰ মাজত থকা আশা, আকাংশা, অসন্তোষ, দাবী আদি সঁচাই হওক, মিছাই হওক, উপকাৰীয়ে হওক বা অপকাৰীয়ে হওক মানুহৰ মাজত এই সমস্যাবোৰৰ পৰা চিৰ সমাধান দিয়াৰ মিছা প্ৰতিশ্ৰুতি দিব লাগিব।

উচতনিমূলক বক্তৃতা দি মানুহৰ মাজত খং আৰু বিভাজন ভাৱ আনি প্ৰতিদ্বন্দ্বিক ধৰ্ম, বয়স, ভাষা আদি মিছা অপবাদেৰে মানুহৰ মাজত বিদ্বেষৰ ভাৱ অনাৰ লগতে প্ৰতিদ্বন্দ্বীতকৈ বহতো সা-সুবিধা আদি দিয়াৰ ভুৱা প্ৰতিশ্ৰুতি দিব লাগিব।

সৎ বা আইনী পন্থা ঃ এই পন্থাৰ বাবে আপুনি

(ক) সততা, নিষ্ঠাৰে, সাহসেৰে আৰু সক্ৰিয়ভাৱে মানুহৰ স্বাৰ্থৰ সপক্ষে যুঁজ দিব লাগিব।

(খ) জনসাধাৰণ বাবে বস্তুগত অৰ্থ, সময় আদি ত্যাগ কৰিব লাগিব য'ত ৰাইজে আন্তৰিকতাৰে আপোনাৰ ওচৰলৈ আহিব লাগিব।

(গ) মানুহক বৌদ্ধিক, সামজিক আৰু মানসিকভাৱে সচেতন কৰিব লাগিব। তেওঁলোকৰ প্ৰকৃত কাৰণ অসন্তোষ দাবী আদিৰ উচিত বিচাৰ কৰি,তেওঁলোকৰ স্বাৰ্থৰ হ'কে নিজে সংগ্ৰাম কৰিব লাগিব।

জীৱন সংগ্ৰামৰ অৰ্থ ঃ এইবিধ হৈছে সৰ্বশ্ৰেষ্ঠ সংগ্ৰাম, এই সংগ্ৰামত কোনো উদ্দেশ্যপ্ৰণিত কাৰণ নাথাকে আৰু কেতিয়াও কাৰো বাবে নহয়। এই সংগ্ৰাম ওপৰত উল্লেখিত দুই বিধ সংগ্ৰামৰ লগত ৰজিতা নাহে আৰু এই সংগ্ৰাম স্বাধীন আৰু স্বাৱলম্বী। মানুহৰ মাজত হোৱা প্ৰাকৃতিক বিপৰ্যয়, আকাল, দুৰ্ভিক্ষ আদিত কোনো প্ৰকৃত যোদ্ধা বা সংগ্ৰামী ওলায় নাহে। ইয়াৰ মানুহে সদায় নিজকে প্ৰস্তুত কৰি ৰাখে। অৱশ্যে সাধাৰণভাৱে তেওঁলোকৰ জীৱনৰ প্ৰয়োজনীয়তা অতি সৰল আৰু সেইবোৰ তেওঁলোকৰ অৰ্থৰ প্ৰয়োজনীয়তাৰ কাৰণে কোনো ভয় নাথাকে। তেওঁলোকৰ কোনো পদবীৰ কাৰণে আশা নাথাকে,কাৰণ তেওঁলোকৰ এই সংগ্ৰাম চিৰন্তৰ আৰু অবিৰত, তাৰ মাজতে নিজক শক্তিশালী কৰি স্বাৱলম্বী হোৱাৰ লগতে নিজৰ বৰ্তমান তথা ভৱিষ্যত গঢ় দিব লাগিব। তেওঁলোকে অৰ্থ,পদবী আৰু মৰ্যদা তেওঁলোকৰ ইচ্ছা অনুসৰি বজাই ৰাখে।

বৰ্তমান সময়ৰ গতিত মানুহ বহু বেছি সচেতন, তেওঁলোকৰ মাজৰ অসুবিধাবোৰৰ আৰু ব্যক্তি বিভিন্নতাৰ ওপৰত য'ত মানুহে বহতো অৰ্থৰ বাবে অত্যন্ত আশাবাদী আৰু ক্ষমতালোভী, যিবোৰ নেকি বিনাকষ্টে সেইবোৰ পাবলৈ আৰু তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ। তথাপি কিছু সংখ্যক ব্যক্তিয়ে এই গতিধাৰাৰ ব্যতিক্ৰম হৈ মানুহৰ মাজত সত্যনিষ্ঠা,ন্যায়, মানৱীয়তা আৰু সংস্কাৰ জীয়াই ৰখাৰ সংগ্ৰাম কৰিছে। তেওঁলোকলৈ সহস্ৰ ধন্যবাদ।

❁❁❁

# অসমৰ মিৰি বা মিছিংসকল ঃ কৃষিভিত্তিক উৎসৱ আলিয়াই লৃগাঙৰ ওপৰত এটি আলোকপাত

যুতিকা পাতিৰ

সহকাৰী অধ্যাপিকা, ইতিহাস বিভাগ

জৱাহৰলাল নেহৰু কলেজ, বকো

সকলো জাতি-উপজাতিৰে একোটা নিজস্ব কৃষ্টি বা সংস্কৃতি থাকে। এই কৃষ্টি বা সংস্কৃতিয়েই হ'ল এটা প্ৰধান উপাদান যিয়ে কোনো এটা জাতি বা উপজাতিৰ অস্তিত্ব ৰক্ষা কৰে। অসমীয়া জাতিৰ এটা প্ৰধান উপজাতি মিছিংসকলৰো নিজস্ব কৃষ্টি সংস্কৃতি আছে।

বৃহৎ মঙ্গোলীয় জাতি গোষ্ঠীৰ এক অংশ হ'ল বৰ্তমান অসমৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, ধেমাজি, দৰং, গোলাঘাট আৰু অৰুণাচল প্ৰদেশৰ চিয়াং আৰু লোহিত জিলাৰ অসম সীমান্তত বসবাস কৰা মিছিংসকল। এই মিছিংসকলক মিৰি নামেৰেই পৰিচিত। ভাৰতৰ সংবিধানৰ জনজাতি তালিকাত মিছিংসকলক মিৰি নামেৰেই অন্তৰ্ভুক্ত কৰিছে। পুৰণি অসমীয়া ভাষাত ৰচিত বুৰঞ্জী আৰু উনবিংশ শতিকাৰ শেষৰ ফালে বৃটিছ ৰাজত্বৰ সময়ত ইংৰাজ লেখকসকলে লিখি থৈ যোৱা ৰচনা আৰু চৰকাৰী নথি পত্ৰবোৰতো এই মিৰি নামেৰেই উল্লেখ পোৱা গৈছে।

কিন্তু প্ৰকৃততে মিৰি শব্দৰ উৎপত্তি বা অৰ্থ সম্পৰ্কে সঠিক ব্যাখা পোৱা নাযায়। মিৰি শব্দৰ উল্লেখ থকা প্ৰাচীনতম ৰচনা হিচাপে শংকৰদেৱৰ দশম স্কন্ধকেই প্ৰথমে ল'ব পাৰি। শংকৰদেৱৰ দশম স্কন্ধত আছে —

কিৰাত কছাৰী খাচী গাৰো মিৰি
যৱন কংক গোৱাল।
অসম মুলুক ৰজত তুৰুক
কুৱাচ ম্লেচ চণ্ডাল

ইয়াৰ উপৰিও যোড়শ শতিকাৰ পাছত অসমীয়া ভাষাত ৰচনা কৰা কেইবাখনো আহোম বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, অসম বুৰঞ্জী, কাছাৰী বুৰঞ্জী ইত্যাদিতো মিৰি নাম উল্লেখ পোৱা যায়।

সোনাৰাম পাএগং কটকীয়ে তেওঁৰ "মিৰি জাতিৰ বুৰঞ্জী" মিৰি নামৰ পুথিত কৈছে- প্ৰকৃততে মিৰি বুলি এটা জাতি নাই। মিছিং নামৰ জাতিটোকে ভৈয়ামত মিৰি বোলে।

ইংৰাজ প্ৰশাসক, পৰিব্ৰাজক আৰু নৃতাত্ত্বিকসকলেও অন্যান্য জনজাতিৰ লগতে মিৰিসকলৰ বিষয়েও অধ্যয়ন কৰি লিপিবদ্ধ কৰি থৈ গৈছে। E.A. Gait এ—A History of Assamত মিৰিসকলৰ বিষয়ে এইদৰে কৈছে- 'They (The Miris) act as a channel of communication with the Aborts and from this circumstances the name by which they are known in Assam, which means "go between".

মিছিংসকলে নিজকে চন্দ্ৰ, সুৰ্য বংশধৰ বুলি চিনাকি দিয়ে। তেওলোকে চন্দ্ৰক পিতৃ আৰু সূৰ্য্যক মাতৃ বুলি গণ্য কৰে। সেইকাৰণে তেওলোকে যিকোনো সকাম উৎসৱত পোণ প্ৰথমে আনী দঃঞি (মাতৃ সূৰ্য) আৰু আবু পঃল (পিতৃ চন্দ্ৰৰ) নাম লয়।

অসমৰ সামাজিক সম্প্ৰীতি আৰু সমন্বয়ৰ উৎসৱ বিহুৰ উপৰিও মিছিং সকলে তেওঁলোকৰ নিজা উৎসৱ অনুষ্ঠানসমূহ অতীতৰ পৰম্পৰাৰে পালন কৰি আহিছে। আলিয়াই লৃগাং মিছিংসকলৰ জাতীয় উৎসৱ। এই উৎসৱ প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা পতা হয়। তেওঁলোকৰ বাবে এই বুধবাৰ দিনটো পবিত্ৰ আৰু মঙ্গলৰ দিন। বৰ্ত্তমান ৰাজ্যিক চৰকাৰেও এই উৎসৱটো মিছিং সম্প্ৰদায়ৰ স্থানীয় দিন হিচাপে ঘোষণা কৰিছে।

আলিয়াই লৃগাঙৰ অৰ্থ হ'ল- 'আলি' মানে শস্য বা কঠীয়া, 'আয়ে' মানে ফল, লৃগাং মানে শস্য সিঁচাৰ প্ৰথম দিন বা কঠীয়া সিচাঁৰ দিন। অৰ্থাৎ আলিয়াই লৃগাং মানে হ'ল-শস্য সিচাঁৰ প্ৰথম দিন। কৃষিজীৱি মিচিংসকলৰ প্ৰধান খেতি হ'ল

ধান মাহ, সৰিয়হ, আলু, কচু ইত্যাদি। এই খেতিবোৰৰ কঠিয়া প্ৰজনন শক্তিৰ আধাৰ পৃথিৱী বা মাটিত সিচি উৎপাদন বৃদ্ধিৰ কামনা কৰে। বসন্তৰ শেষত প্ৰকৃতিয়ে নদন বদন আৰু ফুলে পাতে জ্যাতিষ্কাৰ হোৱাৰ লগে লগে অৰ্থাৎ ফাগুন চ'ত মাহতে কঠিয়া সিচাঁ কাৰ্য আৰম্ভ কৰে। বিশেষকৈ আলিয়াই লৃগাঙতে আহুধানৰ খেতি আৰম্ভ কৰা হয়। ইয়াৰ উপৰিও এঙে (কচু) তাপা (ৰঙা লাও), মৃৰচি (জলকীয়া) তাকে (আদা), আলি (কাঠ আলু) কপাগ (কল), ইত্যাদি আৱশ্যকীয় শস্য আৰু গুটি ৰোৱা হয়।

এই উৎসৱৰ দিনা পুৱাতে ঘৰৰ প্ৰধান ব্যক্তি জনে পথাৰৰ এচুকত কোৰেৰে নতুন শস্য সিচিবৰ বাবে ঠিক কৰি লোৱা হয়. শস্য সিচিবৰ বাবে ঠিক কৰি লোৱা ঠাই ডোখৰ মেগেলা গছেৰে চাৰিওফালে চিন দি ৰাখে। মিছিং সমাজত প্ৰায়বিলাক মাঙ্গলিক অনুষ্ঠানতে মেগেলা গছৰ পাত ব্যৱহাৰ কৰা হয়। বিভিন্ন ধৰণৰ শস্যৰ বীজ যেনে- আহু ধান, কচু, ৰঙালাও, আদা ইত্যাদি ছটিয়াই দি কোৰেৰে মাটিৰ ওপৰত মিহলোৱা হয়। শস্যৰ উন্নতি কামনা কৰি 'পেনাম' (বচন) কোৱা হয়। এইদৰে-

উপীকা তাত্, য়াঃয়্ নলু কাঃ লাঃ তাদ লাংকা।
গৃঃচিন্ গাম্‌মাঙী তল বল লাংকা।
চিল্ তাগ্ৰ্য়িং তাঙক দপী তৃঃ পীনামীম, পিদ্‌দুং।

(মৃত আতা মাতা, পূৰ্ব পুৰুষসকলে শস্যবোৰ ৰাখি দিয়ে যেন, দুখ আপদবোৰ, বিফলতা আৰু বাধা বিঘিনিবোৰ ইয়াৰ পৰা চাৰিওফালে আতৰি যোৱা ..........।

অলিয়াই লৃগাঙৰ কাৰণে কেইবাদিনৰো আগৰে পৰাই নিত্য খাদ্য সামগ্ৰীবোৰ গোটাই লোৱা হয়। এই উৎসৱৰ বাবে 'আপং' (লাউপানী, ছাই মদ) প্ৰায় এমাহৰ আগতে যতনাই থোৱা হয়। লৃগাং আৰম্ভ হোৱাৰ দুই তিনিদিন মানৰ আগতে লৃগাঙৰ বাবে মাছ, মাংস বিচাৰি গাঁৱৰ আটাইবোৰ ৰাইজে মিলি চিকাৰলৈ (কিঃ ৰুগ ) যায়। এই চিকাৰত ধনুকাড়, যাঠি আৰু য়কচা ইয়াৰ ওপৰিও বন্দুকো আগৰ দিনত ব্যৱহাৰ কৰিছিল। লৃগাঙৰ আগতে কৰা চিকাৰক 'কিঃৰুগ' আৰু তাৰ পিছত কৰা চিকাৰক 'ৰুগৱাদ' বোলে।

পুৰুষসকলৰ লগতে তিৰোতাসকলেও লৃগাঙৰ বাবে এমাহৰ আগতে 'আমচি' (বৰা ধান) 'আমবৃন' (চাইউল) 'তাকে' (আদা), মূৰচি (জলকীয়া) আদি দৰকাৰী সামগ্ৰী সমূহ যতনাই থয়। লৃগাঙৰ দিনা বিশেষ ভোজৰ আয়োজন কৰিবলৈ পুৱাই ঘৰৰ জীয়ৰী, বোৱাৰীসকলে গা-পা ধুই খাদ্য সামগ্ৰীবোৰ বন্ধা বঢ়াত লাগি যায়। এই লিগাঙতেই ধানৰ চাউল কৌ পাত বা তৰা পাতত বান্ধি বিশেষ ধৰণে সিজোৱা হয়। যাক পুৰাং (তৰা পিঠা) বুলি কোৱা হয়। পুৰাঙৰ লগতে শুকান মাছ, পেৰেড অয়িং (মাটি মাহ)ৰ লগত গাহৰী মাংস আৰু পৰঃ আপং (ছাই মদ) অপ্যায়ন কৰা হয়। মিছিংসকলৰ প্ৰতি ঘৰে ঘৰে সেইদিনা পুৰাং আৰু আপঙৰ ব্যৱহাৰ কৰা হয়। এই উৎসৱৰ দিনা গাঁৱৰ ৰাইজে প্ৰতি ঘৰে ঘৰে গৈ ভোজ খায়।

মিছিং সমাজৰ একমাত্ৰ সম্পৰ্ণ কলা, সংস্কৃতিৰ প্ৰকৃত উৎপতিৰ স্থল- গুমৰাগ ছঃমান বা লৃগাং ছঃমান (গীত মাত আৰু নৃত্য) এই লৃগাঙতেই কৰা হয়। ওই গুমৰাগ বা লৃগাং ছঃমানত গীতৰ পৰা আৰম্ভ কৰি নৃত্য ঃ ঢোলৰ ধ্বনি পৰ্য্যন্ত বহল তাৎপৰ্য্য আছে। গাৱঁৰ ডেকা-গাভৰুৰ লগতে গাৱঁৰ বুঢ়া-বুঢ়ীও 'ছঃমানত' যোগ নিদিয়া নহয়। সেইদিনা প্ৰত্যেক গাভৰু ছোৱালীয়ে নিজ হাতে বোৱা 'ৰিঃবি, গাচেং, 'পতালি' (হাতে বোৱা ৰংচঙীয়া ফুল থকা মেখেলা, চাদৰ আৰু ককালৰ মেঠনি কাপোৰ) পিন্ধে। এই অনুপাতে ডেকা-ল'ৰা সকলেও 'উগন্' আৰু 'গালুক' (হাতে বোৱা চুৰিয়া আৰু চোলা) পিন্ধে। নৃত্য ভঙ্গিমা আৰু খোজ ইত্যাদি ঢোলৰ ছেও এই গুমৰাগ নৃত্যত কিছুমান নীতি-নিয়ম আছে। নৃত্যবোৰত সাধাৰণতে ডেকা-গাভৰুৱে শাৰি পাতি চক্ৰাকাৰে বা ঘুৰণীয়া কৰি প্ৰথম নাচনীৰ হাতৰ ভঙ্গীত সমানে মিলাকৈ নাচে। প্ৰকৃততে লৃগাঙত লেকে আঃবাং, কাবান, ঐনিতম গোৱা হয়। ঢোলৰ ছেৱে ছেৱে এই দৰে গায়-

গুমৰাগ গুমৰাগ কেকন্‌লক্
গুমৰাগ কেকন্ চৌঃচিন
গুম্ ৰাগ গুম্ ৰাগ্।

(গুমৰাগ ঢোলৰ ধ্বনি বা মাত ইপিনেও গুমৰাগ সিপিনেও গুমৰাগ অৰ্থাৎ গুম্ ৰাগ্ ঢোলৰ ধ্বনিয়ে চাৰিওফালে প্ৰতিধ্বনিত হৈছে।)

সাধাৰনতে লৃগাঙত গোৱা গীত মাতবোৰত উৎৰমুখৰ ডেকা গাভৰুৰ আনন্দ উলাহৰ বৰ্ণনা থাকে। যেনে-

"ল লঃলে লঃলে লঃলে
দাৰ লঃলে লঃলেলঃলে
চিচুগ্ চুগব্ চুগব্ বদিয়া
ৰীগাম গামৰ গামৰ বদিয়া।"

(হৰিনাই হৰিনীৰ সৈতে আনন্দতে জপিয়াই দৌৰি

যোৱাৰ দৰে আমিও আজিৰ আনন্দ উৎসৱত মতলীয়া হৈছো।)

ইয়াৰ উপৰিও ব্যক্তিগত জীৱনৰ প্ৰেম-পীৰিতি আৰু হৰ্ষ বিষাদৰ বৰ্ণনা দিয়াৰ উপৰিও বৰ্ত্তমানে 'লৃগাং' উৎসৱৰ নিবিড়ভাবে জড়িত থকা 'ঐনিতম' শুনিবলৈ পাওঁ। যেনে-

"মীংব নম্ কাঃতপী লৃগাঙই চঃমান্ দ
মুম্ বৃব য়াঃমেঃ পংককৃদ বীৰ য়িদইয়া বীৰ্ কদ্‌লা,
নক্ কী আমিগ্ কাঃনাম্ দী নক্ কী নাপ্‌পাং য়িৰ্ নাম্‌দী
ঙক্ কী আছিন্ মীঃনাম্ দীম অইয়া লুবিদাগ্ বনী।"

(তোমাক লৃগাং বিহুত ডেকা গাভৰু দলৰ মাজত আনন্দেৰে ইফাল সিফাল কৰি ঘূৰা চাবলৈ ইচ্ছা কৰোঁ, তোমাৰ মুখৰ হাঁহিত যেন মনে ভবা কথাবোৰ প্ৰকাশ পায়।)

মিছিংসকলে এইদৰে আলিয়াই লৃগাংৰ লগতে আন আন তেওঁলোকৰ উৎসৱ সমূহ পালন কৰি অসমীয়া সমাজ সংস্কৃতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। ৰঙালী বিহু, ভোগালী বিহুৰ দৰে আলিয়াই লৃগাঙো মিছিং সকলৰ বাবে বৈশিষ্ট্যপূৰ্ণ জাতীয় উৎসৱ। এই জাতীয় উৎসৱ আলিয়াই লৃগাঙৰ কৃষ্টিৰ লগতেই মিছিং সকলৰ জাতীয় জীৱনৰ সংস্কৃতি ওতোপ্ৰোতঃ ভাৱে জড়িত। বিভিন্ন সংস্কৃতিৰ সংস্পৰ্শলৈ আহিলেও তেওঁলোকে নিজস্ব ৰীতি-নীতিৰে নিজা কৃষ্টি-সংস্কৃতি আজিও বজাই ৰাখিছে।

**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। ভূঞা, সূৰ্য্যকুমাৰ ( সম্পাদনা)- অসম বুৰঞ্জী, গুৱাহাটী, ১৯৮৮
২। গেইট, ই. এ. - এ হিজ্‌ট্ৰী অৱ আসাম, ১৯০৫
৩। ভট্টাচাৰ্য্য, প্ৰমোদ - অসমৰ জনজাতি, গুৱাহাটী ১৯৬২
৪। পেগু, গণেশ - মিছিং সংস্কৃতিৰ ৰেঙণি, যোৰহাট, ১৯৯৫
৫। পেগু, নোমল চন্দ্ৰ- মিছিং সকলৰ ইতিবৃত্ত আৰু সংস্কৃতি ডিব্ৰুগড়, ২০০০
৬। ভৃগুমুনি ( সম্পাদনা) - মিছিং সংস্কৃতিৰ আলেখ্য, গুৱাহাটী,১৯৮৯

# ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪৯৮ (এ) অপব্যৱহাৰ

**লিপিকা ডেকা**
অধিবক্তা, গুৱাহাটী হাইকোৰ্ট

এখন শান্তিপূৰ্ণ আৰু উন্নত সমাজৰ বাবে প্ৰতিজন ব্যক্তি শিক্ষিত হোৱাৰ লগতে আইনগত ভাৱে সচেতন হোৱা আৰু আইনক পালন কৰা প্ৰয়োজন। কোনো ব্যক্তিয়ে দেশত বলবৎ হৈ থকা আইনসমূহৰ অজ্ঞাতবশত কোনো অপৰাধ বা আইন ভংগ কৰিলে বা আইনৰ বিৰুদ্ধ কাৰ্য্য কৰিলে তেওঁৰ শাস্তিৰ পৰা বাচিবলৈ এইটো প্ৰতিৰক্ষা লব নোৱাৰে যে তেওঁৰ আইনৰ বিষয়ে কোনো জ্ঞান নাই। সমাজত এতিয়াও এনেকুৱা বহুতো লোক আছে যি হয়তু আইনৰ বিষয়ে একো নাজানে আৰু জনা বহুতে আকৌ আইনৰ অপব্যৱহাৰ কৰে। বৰ্তমান সমাজত বহু বেছি অপব্যৱহাৰ হৈ থকা আইনৰ এটা ধাৰা হ'ল - ৪৯৮ (এ)।

৪৯৮(এ) হ'ল যি কোনো স্ত্ৰীক স্বামীৰ সম্বন্ধীয় সকলে যদি নিৰ্দয় বা ক্ৰুৰ ব্যৱহাৰ কৰে, তেন্তে তেওঁ তিনিবছৰলৈ কাৰাবাস আৰু জৰিমনা সহ দণ্ডিত হয়। এই ধাৰাৰ উৎপীড়ন বা সেই ক্ৰুৰতাৰ অৰ্থ হ'ল জানি বুজি কৰা কোনো এনে প্ৰকৃতিৰ ব্যৱহাৰ, যাৰ বাবে সেই স্ত্ৰী বাধ্য হৈ আত্মহত্যা কৰা সম্ভৱ হয়, বা সেই স্ত্ৰীক মানসিক অথবা শাৰিৰীক গুৰুত্বৰ আঘাত বা তাইৰ জীৱন অংগ অথবা স্বাস্থ্যৰ সংকট হ'ব। সমাজত আগন্তুক দিনত বিবাহিত স্ত্ৰীক যৌতুকৰ কাৰণে হাৰাশাস্তি কৰাত অথবা বৃদ্ধি পোৱা যৌতুক হত্যাৰ ওপৰত বাধা দিবৰ কাৰণে এই ধাৰা (৪৯৮এ) ভাৰতীয় দণ্ডবিধি আইনত যোগ কৰা হয়। দেশৰ উন্নতি আৰু প্ৰগতি ঘাইকৈ নিৰ্ভৰ কৰে দেশৰ নাগৰিক সকলৰ শিক্ষাৰ ওপৰত। গতিকে দেশৰ প্ৰগতিৰ হকে কেৱল পুৰুষ সকল শিক্ষিত হ'লেই নহ'ব। নাৰীসকলো সমানেই শিক্ষিত হ'ব লাগিব। আকৌ বহু নাৰীয়ে কৈ আহিছে নাৰীক সম অধিকাৰ লাগে, নাৰীৰ সংৰক্ষিত আসন লাগে লগতে নাৰী ক্ষমতাশীল হ'ব লাগে। সেই অনুযায়ী আইনত নাৰীক বহু ক্ষমতা প্ৰদান কৰা হৈছে আৰু নাৰীয়ে সেই ক্ষমতাৰ বহু অপব্যৱহাৰ কৰি আছে। বিবাহৰ দৰে পৱিত্ৰ বান্ধোনক বহুতো নাৰীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰি সমাজত এক অভাৱনীয় পৰিস্থিতি বা ভাবিব নোৱাৰা প্ৰতিচ্ছবি দাঙি ধৰিছে। স্বামী-স্ত্ৰীৰ মাজত কাজিয়া হয়। বহু স্বামীয়ে স্ত্ৰীক অত্যাচাৰ কৰে বা বেয়া ব্যৱহাৰ কৰে, কিন্তু বহু স্ত্ৰীয়ে আকৌ মিছা অপবাদ দি গোচৰ ৰুজু কৰে। গোচৰত লিখা বা এজেহাৰত লিখা প্ৰতিটো কথাই যে সঁচা তেনেকুৱা নহয়। কিন্তু উপযুক্ত বা সঠিক তদন্তৰ অভাৱত বহুতো সংসাৰ ভাঙি যোৱাৰ লগতে বহুতো স্বামীয়ে আত্মহত্যাৰ দৰে পথ বাছি লোৱা দেখা যায়। বহু সময়ত এগৰাকী নাৰী বা এগৰাকী স্ত্ৰীয়ে তেওঁৰ শাহু, শহুৰ, ননদ, দেউৰৰ ওপৰত উক্ত ধাৰাৰ ভয় দেখুৱাই বা উক্ত ধাৰাৰ অপব্যৱহাৰ কৰি ব্লেকমেইলিং কৰা দেখা যায়। আৰু এই ধাৰাৰ (৪৯৮ এ) গোচৰটো আদালতৰ বাহিৰত স্ত্ৰীগৰাকীয়ে (Complainant/গোচৰীয়ানী) মিমাংসা কৰিব বুলি স্বামী বা স্বামী গৃহৰ লোকৰ পৰা এটা শকত ধনৰ টোপোলা দাবী কৰে।

এগৰাকী স্ত্ৰী বা নাৰীৰ বাবে তেওঁৰ স্বামী বা স্বামীৰ পৰিয়ালৰ লোকে থানা গছকিব লগা হোৱাৰ লগতে আদালতত হাজিৰ হৈ জামিন ল'ব লগা হয় একমাত্ৰ আৰক্ষীৰ সঠিক তদন্তৰ অভাৱত। স্ত্ৰীগৰাকী (গোছৰীয়ানী)ৰ মুখৰ কথা বা এজেহাৰৰ ওপৰত নিৰ্ভৰ কৰি কোনো ধৰণৰ তদন্ত নকৰাকৈ শাহু, শহুৰ, অবিবাহিত ননদ, গৰ্ভৱতী ননদ সকলোকে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তাৰ পিছত এনেকুৱা ধৰণৰ আশা নকৰা বা কল্পনা নকৰা পৰিস্থিতিৰ বাবে স্বামী গৃহৰ সকলো লোক অত্যধিক মানসিক অশান্তিত ভুগিব লগা হ'ব। এইবোৰ গোচৰ আদালতত ৫/৬ বছৰ চলে যদিও বা বিচাৰাধীন হৈ থাকে যদিও শাস্তিৰ হুকুম হোৱাৰ সংখ্যা মাত্ৰ ২ বা ৩ শতাংশ আৰু তাৰ পিছতো কিন্তু স্বামীৰ লগতে স্বামীগৃহৰ লোকসকলে যৌতুক নিবিচৰাকৈ বিছৰা বুলি, মাৰধৰ নকৰাকৈ মাৰধৰ কৰা বুলি দিয়া হাজাৰ হাজাৰ গোচৰ সদায় ৰুজু হৈ আছে। কিছুমান অশিক্ষিত দুখীয়া নাৰী বা স্ত্ৰীয়ে নিজৰ স্বামীৰ সৰু সৰু গালিও সহ্য কৰিব নোৱাৰি থানাত আহি এখন এজেহাৰ দিয়ে তেওঁক মাৰধৰ কৰে বুলি

মিছাকে। স্ত্ৰী বা গোছৱীয়ানীয়ে ভাবে থানাত এজেহাৰ দিলে তেওঁৰ স্বামীক আৰক্ষী বিষয়াই থানাত মাতি আনি গালি গালাজ কৰিব আৰু ভৱিষ্যতে গোচৰীনীক গালিগালাজ নকৰিবলৈ ধমকি দিব। ফলত স্বামীয়ে ভয় খাব আৰু তেওঁ এবাৰো নাভাবে যে তাৰ ওলোটাহে হ'ব। আৰক্ষীয়ে তেওঁ দিয়া এজাহাৰখনৰ ওপৰত নিৰ্ভৰ কৰি কোনো ধৰণৰ তদন্ত নোহোৱাকৈ স্বামীক গ্ৰেপ্তাৰ কৰে। গোচৰাণীয়ে (স্ত্ৰীগৰাকীয়ে) স্বামীগৃহৰ আন কোনোবাই অত্যাচাৰ কৰা বা যৌতুক বিছৰা তেনেকুৱা কোনো কথা এজাহাৰত উল্লেখ নথকাৰ পিছতো আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আনি (৪৯৮এ) ধাৰাত এটা গোচৰ ৰুজু কৰে। অশিক্ষিত স্ত্ৰী এজনীয়ে আইনৰ বিষয়ে কোনো জ্ঞান নথকাৰ বাবে তেওঁ এবাৰো ভাৱিব নোৱাৰে যে তেওঁ স্বামীক ভয় দেখাব বিচৰা এজাহাৰখনৰ ওপৰত নিৰ্ভৰ কৰি আৰক্ষীয়ে তেওঁৰ স্বামীক গ্ৰেপ্তাৰ কৰিব বা আদালতত হাজিৰ কৰাব আৰু আদালতৰ পৰা তেওঁৰ স্বামী জেললৈ যাব লগা হ'ব পাৰে; তেওঁৰ সীমিত জ্ঞানেৰে সেইখিনি ধুকিয়ে নাপায়। যেতিয়া স্ত্ৰীজনীয়ে গম পায় যে তেওঁৰ স্বামীক আদালতত হাজিৰ কৰি জেললৈ পঠাব তেতিয়া তেওঁ আৰক্ষী বিষয়াক তেওঁৰ স্বামীক চালান নিদিবলৈ বাৰে বাৰে আৰক্ষী বিষয়াক অনুৰোধ কৰে যদিও তেওঁ ভালদৰে জানে যে তেওঁ যদি শিক্ষিত আৰু টকা থকা হলহেঁতেন হয়তো থানাত টকা দিলে গোচৰটো ভুল বুজা-বুজি হ'ল বুলি তাত মিমাংসা হ'লহেতেন। জেলত যোৱাৰ লগে লগে স্বামী গৃহৰ ঘৰখনৰ লগত চিৰদিনৰ বাবে বেয়া হ'ব লগা হয় আৰু সংসাৰ ভাঙিবও পাৰে। এনেকৈয়ে শিক্ষিত হওক বা অশিক্ষিত কোনোবাই আইন জানি বা নাজানি হওক বহু প্ৰতিষ্ঠিত পৰিয়ালৰ লগতে বহুতো প্ৰতিষ্ঠিত ব্যক্তিক বহুতো স্ত্ৰীয়ে মানসিক আশান্তি দিছে।

সমাজৰ প্ৰতিজন ব্যক্তিৰ লগতে, প্ৰিণ্ট মিদিয়া, ইলেক্ট্ৰনিক মিদিয়া, আৰক্ষী বিষয়া সকলো সচেতন হোৱা দৰকাৰ আগলৈ যেন ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৮ (এ) এই ধাৰাটোৰ যেন অপব্যৱহাৰ নহয়। মহিলাক সুৰক্ষা দিবলৈ যাওঁতে পুৰুষ সকল যেন অসুৰক্ষিত নহয় তাৰ বাবে এই ধাৰাটোৰ সৎ ব্যৱহাৰ কৰা অতি প্ৰয়োজনীয়। ক্ষন্তেকীয়া খঙত যেন এখন সংসাৰ ভাঙি নাযায় বা এটি সন্তানে যেন তেওঁৰ দেউতাক বা দেউতাকৰ পৰিয়ালৰ লোকসকল জেললৈ যোৱা চাব লগা নহয় তাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে আৰক্ষীয়ে।

বহু সময়ত নাৰীক নিৰ্যাতন কৰা হয় বুলি চিঞৰি থাকোতে পুৰুষ-মহিলা যে কিছুমান নাৰীৰ দ্বাৰা নিৰ্যাতিত হৈ আছে সেইটো চকু দিয়া নহয়। এজনী নাৰীক যেতিয়া পুৰুষ এজনে অত্যাচাৰ কৰে বুলি শুনে বিভিন্ন ধৰণৰ নাৰী সংগঠন, নাৰী ঐক্য মঞ্চ, বিভিন্ন মহিলা সমিটি ওলাই অহাতো ভাল কথা কিন্তু পুৰুষ এজন যেতিয়া নিৰ্যাতিত হয় তেতিয়া কিন্তু এই সংগঠনবোৰ আগুৱাই নাহে। দোষীজন দোষী, সেইজন পুৰুষ হওঁক বা নাৰীয়ে হওঁক, দোষীক সকলো সংগঠনে সমান চকুৰে চোৱা দৰকাৰ। সমাজৰ বহুতো প্ৰতিষ্ঠিত আৰু নাম থকা ব্যক্তিও এই ধাৰাৰ অপব্যৱহাৰৰ বলি হৈ আছে। আৰু বহুতো মিছা অপবাদৰ পৰা বাচিবৰ বাবে হওক বা নিজৰ লগতে ঘৰখনৰ সন্মানৰ বাবে হওক স্ত্ৰীগৰাকীক শকত ধনৰ টোপোলা দি মুক্ত কৰিব লগা হয়। নিজৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে এই ধাৰাটোক স্বামীৰ পৰা টকা উলিওৱা যন্ত্ৰ হিচাবে ব্যৱহাৰ কৰা দেখা যায়। বহুতো পুৰুষে আকৌ স্ত্ৰীজনীয়ে অপব্যৱহাৰ কৰা এই ধাৰাত জেললৈ যাবলগা হোৱাত জেলৰ পৰা ওলাই আহি আত্মহত্যাৰ পথ বাছি লোৱা দেখা যায়।

বৰ্তমান আটাইতকৈ বেছি অপব্যৱহাৰ হোৱা ভাৰতীয় দণ্ডবিধি আইনৰ এই ধাৰাটোৰ যেন আৰু অপব্যৱহাৰ নহয়। নিৰ্দোষী পৰিয়াল এটাৰ লগতে নিৰ্দোষী পুৰুষ এজনক যেন এই ধাৰাত এপব্যৱহাৰ কৰি মিছা অপবাদ দি স্ত্ৰীগৰাকীয়ে নিৰ্যাতন চলাব নোৱাৰে তাৰ বাবে আৰক্ষী বিষয়াৰ সঠিক তদন্তৰ লগতে সমাজৰ দায়িত্বশীল ব্যক্তি সকল সজাগ হোৱা প্ৰয়োজন।

# নাগালেণ্ডত তেওঁলোক কোন ?

কুলেন্দু কলিতা
প্ৰাক্তন ছাত্ৰ

ভাৰতবৰ্ষৰ দৰ্শনীয় /পৰ্যটকৰ বাবে বিখ্যাত দিল্লী, জম্মু, আহমেদাবাদ, উধমপুৰ, বিকানীৰ, জয়পুৰ, কলিকতা, শ্বিলং বহুতো ঠাই ফুৰাৰ ভাগ্য হৈছিল। একেদৰেই মেঘালয়ৰ বহু কেইখন ঠাইলৈ প্ৰাকৃতিক ৰঙৰ প্ৰশিক্ষণ দিব অথবা ফটো তুলিব গৈছো, কিন্তু কোনো দিনেই এই ভ্ৰমণবোৰে মোৰ মনত চাপ পেলাব পৰা নাছিল।

পৰীক্ষা দি ঘৰত বহি আছো, মাজে মাজে বাতৰি কাকতৰ বাবে কেমেৰালৈ পাহাৰে জংঘলে, বজাৰে, সভাই ফটো তোলাৰ বাহিৰে অন্য কাম নাছিল। সেইদিনা দেউতালৈ সন্ধিয়া ফোন আহিল, নাগালেণ্ডৰ এখন জিলাত বিশেষ কামত যাব লাগে। অহা-যোৱা, থকা-খোৱা ব্যৱস্থা কৰা হ'ব কিন্তু জৰুৰী। মোৰ মন লকলকাই উঠি, মই কলো- দেউতা মইও যাও। ঠিক হ'ল দেউতা, মই আৰু এগৰাকী আমাৰ সহযোগী। দেউতাই ক'লে আমি নাগালেণ্ডৰ পেৰেন জিলাৰ বি. জালুকী নামৰ অঞ্চলটোলৈ যাম গতিকে Internetৰ পৰা climate , উচ্চতা, বৰষুণ আদিৰ তথ্য সংগ্ৰহ কৰ। ইমান দিনে মই জানো, নাগালেণ্ডত অসমৰ সীমামূৰীয়া অঞ্চলৰ সম্পৰ্ক ভাল নহয়, তাত উগ্ৰবাদীয়ে যি কোনো মুহূৰ্তত যিকোনো অঘটন ঘটাব পাৰে, সুৰক্ষাৰ কোনো নিশ্চয়তা নাই। এদিন পিছত আমি পুৱা ৬-৩০ বজাত ডিমাপুৰ ষ্টেচনত নামি পৰিলোঁ। আমাক নিবলৈ চি. আৰ. জিলিয়াং নামৰ সুদৰ্শন বয়োজ্যেষ্ঠ এজন ব্যক্তি আহিছিল আৰু সেই মুহূৰ্তৰ পৰা নাগালেণ্ডত থকা সময়খিনি আমি তেওঁৰ অতিথি আছিলোঁ। তেওঁৰ লগত অন্য এগৰাকী ব্যক্তি আহিছিল। Mr. Alak আমাৰ পথৰ গাইড আৰু গাড়ী চালক ।আমি Nissanৰ এখন একেবাৰে নতুন গাড়ীত বহিলো- গাড়ী চলিল আমাৰ লক্ষ্যস্থান অভিমুখে। ৰাস্তাত গম পালো তেওঁলোকৰ সংকোচ/সংশয় সত্বেও দেউতাই কামৰ স্থান চাব বাহিৰে বাহিৰে Vaugkithem নামৰ কুকি নগা গাঁওখনলৈ যাব। গতিকে আধা ৰাস্তাতে মুনিপুৰী হোটেল এখনত মুৰ্গী আৰু শুকান মাছৰ তৰকাৰীৰে ভাত খাই দুৰ্গম ৰাস্তাৰে আমাৰ যাত্ৰা আৰম্ভ হ'ল। প্ৰায় চাৰিবজাত আমি কুকি গাঁওখন পালোগৈ। তেওঁলোকে আমি যাম বুলি হয়তো জানিছিল, গতিকে লগে লগে আদৰ-সাদৰেৰে আমাক আগবঢ়াই নিলে। তেওঁলোকৰ মাজত জীৱিকা, নিৰনুৱা সমস্যা, শিক্ষা সম্পৰ্কে আলোচনা চলিল আৰু এইক্ষেত্ৰত বিশেষকৈ এৰী উৎপাদন, সূতা-কাপোৰ বোৱাৰ ক্ষেত্ৰত লগতে প্ৰাকৃতিক ৰং উৎপাদনত দেউতাৰ ভূমিকা কি হ'ব পাৰে তাৰ প্ৰস্তাব তেওঁলোকে আমাক দিলে। এই সময়খিনিতে মোৰ মনত কিন্তু কেইবাটাও কথাই ক্ৰিয়া কৰি আছিল। লগত Nickonৰ D-700 তুলিব লগা ফটো বহুতো। বাহিৰত গৈ ফটো তুলো নেকি ? দ্বিতীয়তে: আমাক পথত বন্দুকধাৰী যুৱক দুজনমানে গাড়ী ৰখাই ক'ত যাম সুধিছিল অৱশ্যে জিলিয়াং আংকলক দেখি দিকদাৰি নকৰিলে। তথাপিও উভতনিত ৰাতি হ'লে কিবা অসুবিধা হব নেকি? তৃতীয়তে, আমি অহা অঞ্চলটোত প্ৰকৃততে কোনো পথ নাই। পাহাৰৰ ৰঙা মাটি, জংঘলৰ মাজে মাজে সৰু সৰু লিক, নিজৰা আৰু তাৰ মাজতেই গাড়ী চলে। Internetত সংগ্ৰহ কৰা তথ্যমতে বৰষুণৰ আগতীয়া সম্ভাৱনা এই অঞ্চলত দিব পৰা নায়; গতিকে যদিহে বৰষুণ হয় আমি গাড়ীত কটাব লাগিব নেকি? যি নহওক আন্ধাৰ নামি অহাৰ লগে লগেই গাঁওখনৰ পৰা উৰ্ভতনি যাত্ৰা আৰম্ভ কৰিলো আৰু প্ৰায় ৭ বজাত বি. জালুকী নামৰ গাঁওখনত সোমালো। আমি ছিধা জিলিয়াং আংকলৰ ঘৰলৈ আহিলো; ইতিমধ্যে গাঁওখনৰ সৰহ সংখ্যক মানুহেই নিশাৰ আহাৰ কৰি শুই পৰিছে। আংকলক দেউতাই ক'লে - ভাত দেৰিকৈ খাম; কালিৰ কামৰ আলোচনা কৰো। উপায় নাই- আলোচনাত বহিব লগা হ'ল; কিন্তু পেৰেন জিলাৰ বিষয়ে যিবোৰ তথ্য অথবা নগা সকলৰ বিষয়ে জানি যিবোৰ তথ্য পালো সি হয়তো সদায়ে মোক নগালেণ্ডলৈ আমন্ত্ৰণ জনাব। প্ৰথম কথা, নগাসকলে আজিও আমাক তেওঁলোকৰ ডাঙৰ ভাই বুলি ভাবে, আমি তিনিটা জনগোষ্ঠীৰ লগত আলোচনাত বহিছিলো- Zemi, Liangmai আৰু Rongmai বহুতে শুদ্ধ অসমীয়া জানে বা ক'ব পাৰে, নোৱাৰা সকলেও অসমীয়া বুজে। অসমীয়া শালত বোৱা গামোচা তেওঁলোকৰ অতি আদৰৰ আৰু সম্ভ্ৰান্ত মানুহখিনিৰ গলত অনবৰতেই গামোচা দেখা গ'ল।

এই বাৰ আলোচনা চলিল পেৰেন জিলাক লৈ।, বৰ্তমানৰ নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ সমষ্টি আৰু বৰ্তমান আমি থকা

গাঁওখনো তেওঁৰ গৃহ গাঁও। জিলাখন অসমৰ সীমামূৰীয়া, ৮৩%· শতাংশ লোক গাঁৱত বাস কৰে, ৮৭% লোক দুখীয়া (বি.পি.এল) , ৮৭%লোক নিৰনুৱা, বিদ্যালয় বাদ দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মজলীয়াত ১০% আৰু উচ্চ মাধ্যমিকত ৯০% । কাৰিকৰী শিক্ষা মাত্ৰ ৩% তকৈ কম লোকেহে গ্ৰহণ কৰে। সম্ভৱত সেই কাৰিকৰী শিক্ষা প্ৰাপ্তৰ বেছিভাগেই উচ্চ শিক্ষিত আৰু সম্ভৱত বিদেশত বাস কৰে। কিয়নো জিলিয়াং আংকলৰ দুটা ল'ৰা, এজনী ছোৱালী ইঞ্জিনিয়াৰ আৰু ডাক্তৰ। তেওঁলোকৰ এজনে আমেৰিকাত (তেওঁৰ পতি চীন দেশীয়) আৰু সৰু লৰা বাস কৰে নিউজিলেণ্ডত, অৱশ্যে তেওঁৰ পত্নী নগালেণ্ডৰ আংগাসী জনগোষ্ঠীৰ আৰু পেচাত এগৰাকী চিকিৎসক। ইংলেণ্ডৰ তেওঁৰ নাতিনীয়েক শীতকালীন অলিম্পিকত সেই দেশৰ হৈ যোগদান কৰিছিল। আকৌ আহো সমস্যালৈ, আমি কিয় ইয়াত আহিলো। এই ৮৭%দুখীয়া মানুহৰ মহিলাখিনি অতি পাৰ্গত শিপিনী আৰু নাগালেণ্ডৰ এই শিপিনীসকলৰ বোৱন শৈলী অতি উন্নত মানৰ। তেওঁলোকে কমৰত বান্ধি (Lion Loom) কাপোৰ বোৱে আৰু এই শৈলী আৰু চানেকী Tixtle History ত বিশ্বৰ ভিতৰতে অতুলনীয়। বিশ্বৰ উন্নত বা আগশাৰীৰ দেশৰ সম্ভ্ৰান্ত পৰিয়াল সমূহে এনে এটা Collection অৰ বাবে যিকোনো মূল্য দিবও মান্তি। Shuttle Spindle & Dyepot (winter 2001/02) নামৰ আলোচনীখনত Charllotte kwon আৰু Bronwn chambers নামৰ বিদেশী Textile Expart দুগৰাকীয়ে যুটীয়াভাৱে লিখা এটা প্ৰবন্ধৰ প্ৰথম পেৰাই মোৰ মন্তব্যকে সমৰ্থন কৰে ÷ýÄ»±–'It was clear to us from the first time we encountered a single Naga cushion cov er in a shop in Delhi that the artisans used their work as a powerful means of interpreting their cultural, regional and social indentities . This discovery began an obsession with fining the weavers of Nagaland in India."

প্ৰায় ১৯৮৫চনৰ পৰা ২০০২ চন মানলৈ ইয়াৰ দুখন সমবায় 'Naga weavers Tradition " আৰু "Naga Fashion Hardicrafts" বিশ্বৰ বিভিন্ন আগশাৰীৰ প্ৰতিষ্ঠানলৈ যথেষ্ট পৰিমাণে তেওঁলোকৰ উৎপাদিত সমাগ্ৰী পঠিয়াইছিল। কিন্তু ২০০২ চন মানৰ পৰা বিশ্বৰ উন্নত দেশসমূহে Synthetic/ Chemical ৰং অথবা সূতাৰ কাপোৰৰ ক্ষেত্ৰত সজাগ হয় আৰু ফলস্বৰূপে এই প্ৰতিষ্ঠান দুটাই পঠোৱা সমাগ্ৰীসমূহ তেওঁলোকে ঘূৰাই পঠিয়াই। লগে লগে তেওঁলোকৰ এই বাণিজ্য বন্ধ হৈ পৰে কিয়নো যদিও নগালণ্ডৰ পেৰেন জিলা সঁচা অৰ্থত বিশ্বৰে উন্নত মানৰ প্ৰাকৃতিক ৰঙৰ বিশাল ভাণ্ডাৰ (Naga Indigo, Manjistha etc.) আৰু ইয়াৰ ব্যৱহাৰে এই ভাণ্ডাৰৰ ক্ষতি নকৰে বৰঞ্চ বৃদ্ধিহে কৰিব লগতে এৰীৰ খাদ্য বৃক্ষ যিপিনেই চকু যায় সেই ফালেই দেখা যায়। গতিকে যদিহে এৰী উৎপাদন কৰি প্ৰাকৃতিক/জৈৱিক ৰঙৰে ৰহণ সনা হয় তেনেহ'লে বিশ্বৰ এনে উন্নত দেশসমূহৰ চাহিদা আকৌ আহিব আৰু বৰ্দ্ধিত ৰূপত । দুখৰ কথা, তেওঁলোকৰ পূৰ্বপুৰুষে কৰা এই ৰঙৰ প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞাত নহয় অথবা এৰি পুহি সূতা কাটিবও নাজানে। গতিকে বজাৰৰ পৰা Chemical/Synthetic ৰং কৰা Chemical মিশ্ৰিত সূতা আনি কাপোৰ বোৱাৰ বাহিৰে তেওঁলোকৰ হাতত অন্য উপায় নাই। তাৰোপৰি Lion Loomত সন্তান সম্ভৱা অথবা শাৰীৰিক সমস্যা থকা (আনকি কেতিয়াবা যদি ভৰি ভাঙিছিল অথবা কমৰত দুখ পাইছিল) মহিলা সকলে কাম কৰিব নোৱাৰে। গতিকে যদি বয়ন শৈলী একে ৰাখি Loomৰ পেটাৰ্ণ বদলোৱা হয় তেন্তে উৎপাদনৰ হাৰ বাঢ়িব, উৎপাদন খৰচ কমিব আৰু সকলো অৱস্থাতে কাম কৰা সম্ভৱ হ'লে নিবনুৱা সমস্যা দ্ৰুত হাৰত কমিব।

পিচৰ দিনা এই বিষয়ে সবিশেষ আলোচনা কৰাৰ প্ৰতিশ্ৰুতিৰে ৰাতি ৮-৩০ বজাত সম্পূৰ্ণ তেওঁলোকৰ ৰন্ধন শৈলীৰে তৈয়াৰ কৰা গাহৰি, মুৰ্গী আৰু সিজোৱা মাছৰকণীৰে নিশাৰ আহাৰ গ্ৰহণ কৰি আমাৰ বাবে ঠিক ৰা জালুকী নগৰৰ একমাত্ৰ কিন্তু ধুনীয়া হোটেলত আমি আহিলোঁ। ৰাস্তাত অনুভৱ কৰিলো এইয়া যেন মাজ ৰাতি। আমাৰ বাবে হোটেলত কেবাটাও নতুন আচাৰ্য আছিল। প্ৰথম গম পালো আমাৰ বাবে সম্পূৰ্ণ হোটেল খালি কৰা হৈছে; দ্বিতীয়তে আমাৰ ড্ৰাইভাৰ আৰু গাইড চহৰখড়ৰ Chairman; তৃতীয়তে তেওঁ এজন Class-I ঠিকাদাৰ, কেইবাটাও কাঠ ফলা মিলৰ মালিক আৰু সম্ভৱত আমি থকা হোটেলখনৰ মালিক। আমাক নিৰ্ভয়ে থাকিব দি তেওঁ গ'লগৈ। ৰাতি ন বজাৰ পৰা সন্ধিয়া আলোচিত সমস্যা ৰাজি কিদৰে সমাধান কৰিব পাৰি তাৰ তিনিবছৰীয়া আঁচনি বনোৱাত দেউতা ব্যস্ত হৈ পৰিল যদিও মই আৰু আমাৰ সহকাৰী গৰাকীয়ে অ লপো পলম নকৰি বিচনাত উঠিলোঁ।

ৰাতিপুৱা ৭ বজাত উঠি হোটেলৰ চাৰিওফালে দেখিলো অকল চেগুণ গছ। বিশেষকৈ তিনিফালে গৈ গৈ শেষ নোহোৱা হেজাৰ হেজাৰ চেগুণ গছ । যদিও ক'তো এডাল গছ কটাৰ চিন নাই। আমাৰ হোটেলৰ পৰা মাত্ৰ দুই মিনিটৰ খোজ কঢ়া দূৰত্বত তেওঁলোকৰ মুখ্যমন্ত্ৰীৰ ঘৰ আৰু কাষতে আমাৰ গাইড / চহৰখনৰ চেয়াৰমেন আলাক আংকলৰ ঘৰ, অতি ধুনীয়া যেন বেৰত ওলোমাই থোৱা ছবিহে। ৮-৩০ বজাত আলাক

আংকোলৰ লগত পুনৰ জিলিয়াং আংকোলৰ ঘৰ পালোঁ। কালি ভাগৰ আৰু আন্ধাৰৰবাবে চকুত নপৰা সকলোবোৰ দেখি আমি অভিভূত হৈ পৰিলোঁ। এটা অতি বৃহৎ Campus , নাম 76, Sandle wood avenue নামৰ সাৰ্থকতা প্ৰমাণ কৰি দুশাৰী চন্দন গছৰ মাজেৰে আমাৰ গাড়ী আগুৱালে। বাৰাণ্ডাত গাড়ী ৰখাৰ লগে লগে চাৰিওফালে চকু ফুৰালো। গছ, গছ আৰু গছ। দেউতাই বহুবোৰ প্ৰজাতি চিনি পাইছিল যদিও নজনা প্ৰজাতিও কম নাছিল। ঔষধি গছ আৰু স্থানীয় প্ৰজাতিৰ ফল-মুল আৰু মছলাৰ গছেই আছিল সাৰ্বধিক। প্ৰায় ২৫-৩০ ৰ বাৰাণ্ডাখন ফচিলেৰে (Fossile) বনোৱা বেৰৰ কাষৰ ৰেকবোৰত দুষ্প্ৰাপ্য অৰ্কিড আৰু ঔষধি গছ। অৱশ্যে চাৰিওফালে চোৱাৰ সৌভাগ্য হোৱাৰ আগতেই আলোচনাত বহিব লগা হ'ল। আলোচনাত প্ৰত্যেক দহ পোন্ধৰ মিনিটৰ মূৰে মূৰে ৰঙা চাহ আৰু স্থানীয় ফল পৰিৱেশন কৰিলে Adoniu নামৰ মহিলা গৰাকীয়ে । চিনাকী ফল আছিল মাত্ৰ আম, নাচপতি আৰু কল। সম্ভৱত মোৰ কপাল ভাল আছিল । মোক নিৰ্দেশ দিলে আলাক আংকোলৰ লগত গৈ কিছু উদ্ভিদৰ ফটো সংগ্ৰহ কৰাৰ লগতে পুলি সংগ্ৰহ কৰাৰ বাবে। সুবিধাৰ সৎব্যৱহাৰ কৰি সৰু চহৰখন ঘূৰাৰ লগে লগে কিছু ফটো তুলিলো বাতৰি কাকতৰ বাবে। ১২-৩০ বজতে আহি ছিধা ভাতৰ টেবুল পালো। পুনৰ স্থানীয় শৈলীৰে স্থানীয় শাকেৰে গাহৰি আৰু মাছৰ বহুকেইখন ব্যঞ্জন। পৰিৱেশন অপূৰ্ব তাতোকৈ আচৰিত তেওঁলোকৰ উদ্ভিদৰ ঔষধি গুণৰ জ্ঞান। জিলিয়াং আকংলে দেউতাক দেখাই গল এই গাহৰি মাংসটো নহৰু, Phot yan (Scientific Name Discorea bulbifera ) আৰু Ginseng (Scientific name - Punay Pskedo-ginseng wall) ৰে বনোৱা হৈছে। প্ৰেচাৰ আৰু ডাইবেটিছ থকা মানুহে খাব পাৰে। একেদৰে অন্যবিধ গাহৰি মাংসত কি কি দিয়া হৈছে যাতে সহজে হজম হয়, টোপনি ভাল হয় দেখালে। কেইবিধমান শাক আৰু ছজিনাৰ পাত সকলোতে । বাঁহৰ গাঁজৰ ব্যৱহাৰ মানিব লগা, বিভিন্ন উপায়েৰে । ৰাতিৰ সাজৰ নিমন্ত্ৰণ আলাক আংকোলৰ ঘৰত, নিশ্চয় তাতো এনে খাদ্যই থাকিব, গতিকে হজমৰ সহায়ক হ'ব বুলি জানি নথৈ আনন্দিত হলো। ভাত খোৱাৰ পিচত Phic নামৰ ফলটোৰ সৈতে আম আৰু ছজিনাৰ পাতৰ চৰ্বত-জৈবিক, সুষম আৰু স্বাস্থ্য সন্মত খাদ্য। দেউতা মানে কাম-গতিকে ভোজনৰ পৰা কামলৈ আহো। পিছবেলাটো পুনৰ বিভিন্ন গছ গছনিৰ আৰু যিমান দূৰ সম্ভৱ বিলুপ্তিৰ পথলৈ আগবঢ়া বিভিন্ন উদ্ভিদৰ ফটো তুলিলোঁ। বিশেষ গুৰুত্ব পালে Indigo এ প্ৰায় চাৰিটা প্ৰজাতিৰ তাৰ ভিতৰত বিশ্ববিখ্যাত Naga Indigo । ইতিমধ্যে আলাক আংকোল মোৰ কেতিয়া বন্ধু হৈ পৰিল গমেই নাপালোঁ। দেউতাৰ ভাষাত বন্ধু হ'বলৈ বয়সৰ মিল থকাৰ প্ৰয়োজন নাই Common View লাগে। ৰাতি আলাকৰ ঘৰত ভাত খাই থাকোতে গম পালো পিছদিনা আমি উভোটাৰ আগতে গাঁৱৰ (তিনিখনমান) মহিলা সকলে আমাৰ লগত আলোচনাত বহিব। মই অৱশ্যে প্ৰকাণ্ড টেবুল ভৰি থকা প্ৰায় ত্ৰিশবিধ গাহৰি, মুৰ্গী, মাছ, শুকান মাছ আৰু গাজৰ ব্যঞ্জনৰ সোৱাদ লোৱাত ব্যস্ত আছিলো। ইতিমধ্যে প্ৰমাণ পাইছিলোঁ ৰন্ধন শৈলী আৰু লগত দিয়া ঔষধি যুক্ত মা-মছলাৰ বাবে এনে খাদ্যই সামান্যতমো অপকাৰ নকৰে। পুৱা ৮-২৫ জিলিয়াং আংকোলৰ বিশাল চৌহদত আমাৰ গাড়ী সুমালোঁ। ইতিমধ্যে বহু মহিলা শৃংখলাবদ্ধভাৱে তাত বহি আছে। এই দুদিনত তেওঁলোকৰ বাবে কি ভৰা হ'ল আৰু কিদৰে সেই আঁচনিত উপনীত হ'ব পৰা যাব দেউতাই বিতং ভাৱে জনোৱাৰ লগতে তেওঁলোকৰপৰামৰ্শ বিচাৰিলে। তেওঁলোকেও আন্তৰিকতাৰে পৰামৰ্শৰ ঠাইত তেওঁলোকৰ সমস্যাসমূহ বিশেষকৈ ৰং, সূতা, বজাৰ, পৰিয়াল চলোৱা সমস্যা, কাপোৰৰ শৈলী, চানেকি সম্পৰ্কে শেষ আলোচনা কৰিলে। ১০-৩০ বজাত জালুকীত শেষৰ ভাতসাজ খাই থাকোতে জিলিয়াং আণ্টিয়ে জনালে মহিলা সকল আছে তেওঁলোকে আমাক সন্মান জনাব। ভাত খাই উঠিয়েই আমি আকৌ তেওঁলোকৰ মাজলৈ আহিলোঁ। দেউতাক তেওঁলোকৰ জাতীয় প্ৰতীক অংকিত ৰঙা কোট চলা পিন্ধায় আৰু মোক এখন সম্পূৰ্ণ অলংকৃত নগা দা দি সন্মান জনালে। লগতে এটা বাক্য প্ৰত্যেকে আওৰালে 'আমাৰ লাগানি তই ভাল কৰিবি'। ৰাস্তাত দেউতাই কলে এই বাক্যটোৰ অৰ্থ। আমি অতি সোনকালে ঘূৰি অহাৰ প্ৰতিশ্ৰুতিৰে তেওঁলোকৰ পৰা বিষাদেৰে বিদায় ললোঁ।

প্ৰশ্নটো আছিল - 'তেওঁলোক কোন '? আমাবটো শত্ৰু হ'ব নোৱাৰে। আজি অসমীয়া কোৱা, গলত গামোচা লোৱা অসমীয়াক তেওঁলোকে নিজৰ ভাই বুলিহে ভাবে। যদি আমি আমাৰ দায়িত্ব পালন কৰো তেওঁলোকে আমাক জনোৱা সন্মান আমি চিৰদিনেই পাম। আমাৰ পৰা আঁতৰি গৈ আজিও তেওঁলোক ব্যথিত, আজিও আমাক তেওঁলোকে আমাক বিচাৰে। মাত্ৰ ৰাজনীতিয়ে আমাক ভাগ ভাগ কৰিলে নেকি বাৰু ? নে তেওঁলোকৰ প্ৰতি আমাৰ অৱহেলাই আমাৰ বিচ্ছেদৰ মূল কাৰণ।

# বকো অঞ্চলৰ গাঁৱৰ ইতিবৃত্ত

প্ৰহ্লাদ বড়ো
বকো

বকো অঞ্চলৰ ইতিহাস চৰ্চাৰ কথা আহিলেই মনত পৰে শ্ৰীযুত বীৰেণ ৰাভা, ˚অতুল চৌধুৰী, ˚ৰামকুমাৰ শীলৰ নাম। শ্ৰীবীৰেণ ৰাভাদেৱ বৰ্তমান ৮৩ বছৰীয়া। সৃষ্টিৰ গতি প্ৰায় থমকি ৰৈ আছে। দুই এখন স্মৃতি গ্ৰন্থত স্থানীয় ইতিহাসৰ ৰেঙণি থকা প্ৰবন্ধ পোৱা যায় যদিও এয়া চেগাচোৰোকাহে ।

বিশেষকৈ অতীতৰে পৰা উজনি অসমৰ মানুহখিনি ইতিহাস আৰু সংস্কৃতি সচেতন। ঐতিহাসিক গুৰুত্ব থকা প্ৰায়বোৰ ঠাই চৰকাৰৰ দ্বাৰা অনুষ্ঠানিক ভাৱে সংৰক্ষিত হৈ আছে। নামনি অসম অৰ্থাৎ দক্ষিণ কামৰূপত এই ক্ষেত্ৰত কোনো ধৰণৰ প্ৰচেষ্টা নোহোৱা বাবে লগতে ভূমি ৰাজহ বিভাগৰ অনুগ্ৰহত বহুতো ৰাজহাউলি, ৰজাদিনীয়া পুখুৰী পুৰাতাত্বিক সম্পদ আৰু ঠাইসমূহ ব্যক্তিগত সম্পত্তিলৈ পৰ্যবসিত হৈছে । এই অঞ্চলৰ লোকগীত-মাত লোক কলা-কৃষ্টিবোৰ অৱলুপ্তিৰ পথত ধাৱমান হৈছে ।

ব্যক্তিগত ভাবে এই লেখকৰ দ্বাৰা বকো অঞ্চলৰ গীত-মাত, লোক কলা কৃষ্টিবোৰ তথ্যসমূহ সংগ্ৰহৰ বাবে প্ৰচেষ্টা স্বৰূপে লগা তথ্যখিনিৰ প্ৰপত্ৰ বনাই গাঁওবিলাকৰ উৎসাহী ব্যক্তিক প্ৰদান কৰা হৈছিল । কিছু তথ্য তেওঁলোকৰ পৰা লৈ নিজেও দুই এখন গাঁওত চৰজমিন ভ্ৰমণ কৰি বিভিন্ন শ্ৰুতিকথা, কিংবদন্তি, স্মৃতিগ্ৰন্থ, আলোচনী তথা উল্লেখিত ইতিহাস চৰ্চাকাৰীইঁতৰ লেখনিৰ সমল লৈ তলত দিয়া বৰ্ণনাসমূহ তুলি ধৰা হ'ল । এয়া বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰাৰ দৰে এটা দুৰ্বল প্ৰয়াস। ইয়াত শুধৰণিৰ প্ৰয়োজনীয়তা থাকিব ।

অতীত বকো অঞ্চলত গাৰো, খাচী, ৰাভা, কোচ আৰু অন্যান্য উচ্চ বৰ্ণৰ জাতি-জনগোষ্ঠীৰ ৰজা-প্ৰজাৰে ৰাজনৈতিক, সামাজিক, ধাৰ্মিক ব্যৱস্থা চলি আছিল । ১৮৬৩ চনত গাৰোসকল খৃষ্টান হয়, ২য়তে ১৯৭২ চনত মেঘালয় সুকীয়া ৰাজ্য হোৱাৰ পিছত সামাজিক, ধাৰ্মিক, প্ৰশাসনিক দিশত অসমমুলুকৰ মানুহৰ লগত সংযোগ কমিল। সেয়েহে এইবোৰ অঞ্চলৰ প্ৰাচীন তথ্যসমূহ সঠিকভাবে সংগ্ৰহ তথা প্ৰতিস্থিত কৰাত বহুখিনি অসুবিধা আহি পৰিছে । মুঠৰ ওপৰত এই অঞ্চলৰ লগত সংযুক্ত থকা গাৰো-খাচী জন-জীৱনৰ জ্ঞান অবিহনে শুদ্ধভাবে ইতিহাস চৰ্চা কৰা প্ৰায় অসম্ভৱ।

১। বকো ঃ এটা ফকৰা আছে ঃ বকো মানেই বিল পানটান মানে শিল । দেশভক্ত তৰুণ ৰাম ফুকনৰ চিকাৰ কাহিনীত মহাভাৰত বৰ্ণিত বক আৰ্থাৎ বগলীৰূপী বকাসুৰ কথাৰে বকো নামটো হোৱাৰ কথা বৰ্ণনা কৰিছে ।˚ৰামকুমাৰ শীলদেৱে বিষ্ণু প্ৰসাদ ৰাভাই দিয়া তথ্যৰ পটভূমিত কৈছিল যে বড়ো মূলীয় শব্দ বাখ্ৰা" (Wastland) ৰ পৰা বকো শব্দটো গঠিত হৈছে । উল্লেখ্য যে দক্ষিণ কামৰূপৰ ১৮ খন দুৱৰী ৰাজ্যৰ ভিতৰত বকো এখন ৰাজ্য আছিল ।

২। পাচলাকোঠ ঃ পাচলাকোঠৰ কথা ক'ব লাগিলে জনৈক কিংবদন্তি বীৰ সন্দে ডাকুৱা, শ্ৰদ্ধেয় কবি শ্ৰীবিৰিঞ্চি ৰাভাৰ মতে সন্দে ডাকুৱাৰ ক'থা কবই লাগিব । সন্দে ডাকুৱা শাৰীৰিকভাবে অতিকায় আৰু শক্তিৰ ফালৰ পৰা অতি শক্তিশালী আছিল ।বকো শনিবাৰ বজাৰ আৰু আগছিয়া পাহাৰৰ ওখ শিলত উঠি তললৈ কোমোৰা দলিয়াই আলাগতে তাক দুচেও কৰি তললৈ নামিছিল । তেখেতৰ মাকৰ নাম আছিল খেচৰ ওজানী। ওজা বিদ্যাত পাকৈত আছিল । বিশেষকৈ বাঘ ধৰা মন্ত্ৰ জানিছিল। ˚ৰামকুমাৰ শীল দেৱে লিখিছে বনগাঁওৰ মাৰে পূজাৰ আৰ্হি কোচ ৰাজ্য চিকনাঝাৰ (বৰ্তমানৰ B.T.A.D.) ৰ পৰা ৰজা অৰিমত্তই আনিছিল । বনগাঁও মাৰেৰ ডাকুৱা আছিল সন্দে ডাকুৱা।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱে বড়ো ভাষাৰ মাউডা (দেৱতা) শব্দৰ পৰা মাৰে শব্দটো অহা বুলি কৈছে। মাৰে গানত লাঙা দেৱতাক মহাদেৱৰ তলতীয়া দেৱতা বুলি বৰ্ণনা কৰা হৈছে। বকো চহৰৰ দক্ষিণফালে খোকচি-চিক্ৰা বুঢ়া নামৰ পাহাৰ (সংৰক্ষিত বনাঞ্চল) আছে। ৰাভা বিলাকৰ দেৱী খোকচি

(খোক ঞ্চ লুখা, চি ঞ্চ তেজ)। মাৰে পূজাত খোকচি আৰু লাঙা দেৱতাক পূজা কৰা হয় । গাৰোবিলাকে ১৮৬৩ চনত খৃষ্টান ধৰ্মী হোৱাৰ আগতে লাঙা মাল, বুৰা-বুৰী পূজা কৰিছিল। যাক তেওঁলোকে কৃতা বুলিছিল । দক্ষিণ কামৰূপ অঞ্চলৰ প্ৰায়বোৰ কেচাইখাইটী গোঁসাই থানতে পাছলৈ মাৰে পূজা কাৰ আৰম্ভ হ'ল। উল্লেখ্য যে- বড়পাৰা ভালাপাৰাৰ গোঁসানীক ৰূপহী গোঁসানী, ৰংচেপাৰাৰ গোঁসানীক হালধীয়া গোঁসানী, তাৰাবাৰীৰ গোঁসানীক চৰিখা গোঁসানী আৰু ৰায়পাৰাৰ মাৰে পূজাথলীক গাৰো-গাৰোনী থান বোলা হয় । শ্ৰুতিকথা মতে চৰিখা গোঁসানী আৰু হালধীয়া গোঁসানী দুয়ো বাই-ভনী আছিল।

মাৰে পূজা পৰিচালনা কৰিবৰ বাবে মৰ্যাদাৰ ক্ৰম অনুসৰি পদ বা উপাধিসমূহ এনে ধৰণৰ ঃ১) প্ৰথম শ্ৰেণী ঃ পাটগিৰি আৰু চৰকাৰ ।

২) ২য় শ্ৰেণী ঃ ডাকুৱা ।

৩) ৩য় শ্ৰেণী ঃ সাৱা, পাৰেয়া ।

৪) ৪ৰ্থ শ্ৰেণী ঃ পাইক, তাঁৰে, থল পহৰু আদি।

এওঁলোক বেতন ভোগী নহয় । ১৮২১-১৮২৬ চনত মান সেনাই বনগাঁও আক্ৰমণ কৰে । সেই সময়ত মাৰে পূজা চলি আছিল। দেওধনী ভৰডকত পৰিছিল । মানবোৰে পূজাথলী আক্ৰমণ কৰে। পূজাথলীৰ মানুহবোৰে দেওধনীক অচেতন অৱস্থাত কয়াবনৰ জংগলত পেলাই পলাই যায় । মানবোৰে মাৰে ঘৰত প্ৰসাৱ কৰি অশুচি কৰি লৈ (এনে কৰিলে দেৱ-দেৱী গুচি যায়) তাত জুই লগাই দিয়ে । ইতিমধ্যে সন্দে ডাকুৱাই গম পাই দুজন মান সৈন্যক ধৰি বাটাকুচিৰ কেঁচাইখাঁতী গোসানীৰ আগত বলি দি বৰ মাগে যে- অসমৰ মানুহৰ বাবে যাতে সদায় পোহৰ আৰু মানসকলৰ বাবে সদায় অন্ধকাৰ হয় । ৰণকাচনী বুঢ়ী এজনী তন্ত্ৰ-মন্ত্ৰ জনা যুঁজাৰু নাৰী আছিল । এখেতে কবচ কাপোৰ পিন্ধি জীৱ বলি দিয়া দাখৰখন হাতত লৈ মানৰ লগত যুজ কৰিবলৈ সাজু হ'ল । উল্লেখ্য যে তাৰাবাৰীৰ চৰিখা আৰু ৰংচেপাৰাৰ হালধীয়া গোঁসানী দুই বাই ভনীয়ে সন্দে ডাকুৱা আৰু ৰণকাচনীৰ গাত লব্ধি শক্তি প্ৰদান কৰে আৰু তাৰ ফলত দুয়ো শক্তিমন্ত হৈ ৰাইজৰ লগত মিলি বাঙালকাটাত বহু মান কাটে । প্ৰবাদ আছে সন্দে ডাকুৱাই দেৱীক জনোৱা প্ৰাৰ্থনা মৰ্মে মানৰ চকুত বনগাঁও মাৰেৰ জুইৰ ধোঁৱাই জলক তবক কৰি আছিল । পাছত পচলাকোঠলৈ খেদি আদি তাতে কলপচলাৰ দৰে কাটে। গুৰুত্বপূৰ্ণ যে পাচলাকোঠ গাওঁখন ৰাজহ গাঁও হিচাবে আত্কুপাৰা (বাধা পোৱা) বুলিহে জনা যায় ।

চৰিখা গোঁসানীয়ে বনগাঁওলৈ অহাৰ সম্পৰ্কত মাৰে গীতত সুন্দৰকৈ বৰ্ণনা আছে ঃ

অ' চৰিখা গোঁসানীৰ মাও
আচাম-বাঙাল ৰণ লাগিছে
যাই লাগাল পায় ।
ক'লা-ৰাঙা গাভৰু ধৰিয়া পূজা খায়।

মান সেনাপতি মিঙিমাহা তিলোৱাই সন্দে ডাকুৱাৰ গাত আলৌকিক শক্তি আছে বুলি জানিব পাৰি তেখেতক কৌশলেৰে মৰাৰ বুধি কৰিলে। চৰ লগাই গ'ম পালে যে সন্দে ডাকুৱাক তেখেতে নেদেখা অৱস্থাত পিচফালৰ পৰাহে গলত আঘাত কৰিব লাগিব কিন্তু খেচৰ ওজানীয়ে পুতেকৰ খণ্ডিত দেহ পালে মন্ত্ৰৰ বলত পুতেক আৰোগ্য কৰিব পাৰিব । এই কথা জানিব পাৰি মানসকলে সন্দে ডাকুৱাক মাৰিবৰ বাবে ছল চাই থাকিল। ইতিমধ্যে খেচৰ ওজানীয়ে পুতেকৰ বিপদৰ আগ-জাননীৰ সংকেত পাবলৈ আৰম্ভ কৰিছিল। সন্দে ডাকুৱাই যুজলৈ যাত্ৰা কৰাৰ সময়ত প্ৰথমতে যাক লগ পায় তাকে হত্যা কৰিছিল। সন্দে ডাকুৱাক মাকে ব্ৰাহ্মণ হত্যা নকৰিবলৈ মানা কৰিছিল আৰু তেনে কৰিলে অমঙ্গল অনিবাৰ্য বুলি সকিয়াই দিছিল। অৱলীলাক্ৰমে সিদিনা সন্দে ডাকুৱাই হত্যা কৰা প্ৰথম মানুহজনেই আছিল ব্ৰাহ্মণ। সন্দে ডাকুৱাক মানে অনুসৰণ কৰি বাঁহগছৰ আঁৰত মান লুকাই আছিল আৰু সুযোগ বুজি তেখেতক পিছ ফালৰ পৰা গলত ঘাপ দিছিল। সন্দে ডাকুৱাই ক্ষত-বিক্ষিত অৱস্থাতে যুঁজ কৰি থাকিল। পাছত অৱশ হৈ মাটিত বাগৰি পৰিল আৰু সহ্যাতীত বেদনাৰ পৰা ৰক্ষা পাবলৈ ঘেৰি থকা মানসকলক তেখেতৰ হাতত বন্ধা মন্ত্ৰপূত কৰচটো গুচাই গলটো কাটি শৰীৰটো দুভাগ কৰিবলৈ কৈছিল আৰু তেতিয়াহে তেখেতৰ মৃত্যু হ'ব বুলি জনাইছিল । মানে কৰচটো কাটি দিলে আৰু গলত উপৰ্যুপৰি আঘাত কৰি দুভাগ কৰিলে । তেনেকৈ বীৰ সন্দে ডাকুৱাৰ প্ৰাণ বায়ু উৰি গ'ল। শৰীৰৰ-গাৰিভাগ বাগৰি বাগৰি অদৃশ্য হ'ল আৰু মান সৈন্যই মূৰটো কান্ধত ভাৰ বান্ধি লৈ গৈছিল । কথিত আছে যে এই মূৰটো আচৰিত ধৰণে ডাঙৰ আছিল ।

এইফালে মাকে সন্দে ডাকুৱাৰ শৰীৰটো বিচাৰি ফুৰিছিল যদিও নাপালে হেতু পুতেকক পুনৰ জীৱন দিব নোৱাৰিলে। মান সৈন্য গুচি যোৱাৰ পিছত বনগাঁওৰ ৰাইজে কয়াবনৰ

জঙ্গলত সুমুৱাই থোৱা দেওধনীক মাৰে ওজাৰ দ্বাৰা পুনৰ জীৱন দান কৰিছিল।

(ৰাংচেপাৰা নিবাসী শ্ৰীফণীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**৩। ভালুক ঘাটা ঃ** এইখন গাঁৱৰ মানুহবোৰ ছমৰীয়াৰ পৰা ফালবি কাটি আহি স্থাপন কৰিছিল। বৰপেটা সত্ৰৰ পৰা বন্তি আনি সত্ৰ স্থাপন কৰিছিল। ইয়াত খুব ভালুকৰ উপদ্ৰপ আছিল। বোধহয় ভালুকে অন্য হিংস্ৰ জন্তুৰ লগত যুঁজ কৰি হাৰিছিল বাবেই ঠাইখনৰ নাম ভালুকঘাটা হয়গৈ।

(শ্ৰীদামোদৰ দাসৰ পৰা সংগৃহীত)

**৪। বাঘৰ গাওঁ ঃ** এইখন গাৰত বাঘৰ খুব উপদ্ৰপ আছিল বাবেই গাওঁখনৰ নাম বাঘৰ গাওঁ হলগৈ।

**৫। ভেহুৰা ঃ** এবাৰ বকো অঞ্চলত অত্যাধিক বানপানী হোৱাত বকো অঞ্চলৰ কিছুমান মানুহে ভেলত উঠি ভাহি আহি এই ঠাইত থিতাপি লৈ গাওঁখন স্থাপন কৰিছিল কাৰণেই ইয়াৰ নাম হ'লগৈ ভেহুৰা গাঁও।

**৬। শিচাপিঠ ঃ** এই গাওখনত খুব পিতনি আছিল। বিভিন্ন ঠাইৰ পৰা মানুহ আহি ইয়াৰ পিতনিত মাছ সিঁচিবলৈ আহিছিল কাৰণেই ঠাইখনৰ নাম হলগৈ শিচাপিঠঃ শিচ মানে পানী সিচা আৰু পিত মানে পিতনি ।

(শ্ৰীবিপিন কলিতাৰ পৰা সংগৃহীত)

**৭। ৰাংচেপাৰাঃ** ইয়াত থকা গোসানী পাহাৰত পূৰ্বতে গাৰো ৰজা আছিল । গাৰো সকলে খ্ৰীষ্টান ধৰ্ম লোৱাৰ আগতে ৰঙামাল (লিংগ) পূজা কৰিছিল । এই পূজাক তেওঁলোকে খৃটা বুলিছিল। গাৰো ভাষাত ৰং - শিল আৰু গংছে ঃ এটা । পাচত ৰাভা বড়ো সকলে লিংগ দেৱক তললৈ নমাই আনি লাঙামাৰা ৰূপে পূজা কৰে । উল্লেখ্য যে ইয়াতে হালধীয়া গোসানীও আছে।

(শ্ৰীফণীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**৮। জবেপাৰাঃ-** মানুহবিলাকে ইয়াতে শিবিৰ পাতি গৰু ছাগলী জবাই কৰি খাইছিল বাবে জবেপাৰা । উল্লেখ্য ইয়াৰে কাষত বড়োসকলৰ গান্দাৰ ৰাজ্য আছিল । এই ৰজাৰ ছোৱালী চক্ৰশিলাৰ ৰাভা ৰজা গেন্দেৰা ৰজালৈ বিয়া হৈছিল । গেন্দেৰা ৰজাৰ প্ৰথম পত্নীৰ লগত দ্বিতীয় পত্নীৰ কাজিয়া লাগে। বড়ো ৰজাই জোৱায়েকক আক্ৰমণ কৰাত তেখেতে গৈ গৱেয়া দুৱাৰ নামৰ গুহাত সোমাই থাকে ।

(শ্ৰীফণীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**৯। কাকৰাবৰী ঃ** মাৰেগীতত চাৰিখন সাগৰৰ কথা উল্লেখ আছেঃ (১) কংকুৰা সাগৰ বৰ্তমান কাকবাবৰী (২) ত্ৰিগালী সাগৰ ঃ বৰ্তমান ত্ৰিলোচন (৩) ভৈনদী সাগৰ ঃ বৰ্তমান ভূটাৰটাৰী (৪) কালদেও সাগৰ ঃ বৰ্তমান কালাতলী আদি ।

(শ্ৰীফণীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**১০। বুৰাহাৰা ঃ** বনগাঁও মাৰেৰ বাবে নিযুক্ত জনৈক বুঢ়া সাৰা এজনে ইয়াত বতৰা দিব লৈআহি সদায় ৰাতি থাকিছিল বাবে এই গাৰঁৰ নাম বুৰাহাৰাহে থাকিল।

(শ্ৰীহৰকান্ত বড়োৰ পৰা সংগৃহিত)

**১১। পয়ৰাঙা ঃ** পয়ৰাঙা পাহাৰত উঠি ইংৰাজ বোৰে জৰীপ কৰিবলৈ আহি ৰাতিপুৱা সময়ত পূব আকাশলৈ চাই সুন্দৰকৈ ৰঙা দেখি ঠাইখনৰ নাম পুৱাৰাঙা বুলি কৈছিল আৰু পাছত এয়ে পয়ৰাঙালৈ ৰূপান্তৰিত হয়।

(শ্ৰীতিথিৰাম ৰাভাৰ পৰা সংগৃহীত)

**১২। দেওচৰ ঃ** আগতে বৰ্তমানৰ দেওচৰখন চৰাঞ্চলৰ বহুত ভিতৰত আছিল। তাতে মহামাৰী হৈ বহুত মানুহ মৰিছিল যাক তেওঁলোকে দেওভুতে পোৱা বুলি ভাবিছিল আৰু বৰ্তমান গাঁওখনলৈ উঠি আহিছিল আৰু সেয়েহে বৰ্তমানৰ ঠাইখিনিক দেওচৰ বুলি কোৱা হয়।

(শ্ৰীগৌৰাঙ্গ ঠাকুৰীয়াৰ পৰা সংগৃহীত)

**১৩। ঢেলাচৰঃ** পূৰ্বতে ঢেলা নামৰ এবিধ পৰিভ্ৰমি চৰায়ে খুববেছিকৈ বিচৰণ কৰিছিল কাৰণে ঠাইখনৰ নাম ঢেলাচৰ হৈ পৰিল।

(শ্ৰীগৌৰাঙ্গ ঠাকুৰীয়াৰ পৰা সংগৃহীত)

**১৪। কন্দলপাৰাঃ** এই গাঁৱৰ মানুহবোৰ বিজয়নগৰ ওচৰৰ নহীৰা নামৰ গাঁৱৰ পৰা উঠি আহি এই গাঁওখনত বসবাস কৰা কাৰণে ই কন্দলপাৰা নামেৰে পৰিচিত হয়।

(শ্ৰীগৌৰাঙ্গ ঠাকুৰীয়াৰ পৰা সংগৃহীত)

**১৫। ভোগদাবাৰীঃ-**বড়ো সকলৰ আৰাধ্য দেৱী বুৰলীবুৰী ভেটি (ধান) বা ঠাইৰ পৰাই বুৰালবুৰি -> ভূৰালিবুৰি -> ভোগবুৰি -> ভোগদাবুড়ী -> ভোগদাবাৰী হৈছে বুলি জনা যায় ।

(শ্ৰীস্বাধীন বড়োৰ পৰা সংগৃহীত)

**১৬। মুগাখোল ঃ** মুগা মানৰ বড়ো জাতিৰ খোলগ্ৰা অৰ্থাৎ মুৰব্বী এই ঠাইলৈ আহি বসতি স্থাপন কৰিছিল কাৰণে ইয়াৰ নাম মুগাখোল হ'লগৈ।

(শ্ৰীফনীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**১৭। নাগোপাৰা ঃ** এইখিনি অঞ্চলত মাৰাম ফৈদৰ খাচীয়া মানুহ আছিল । তেওঁলোক সৰ্প পূজক আৰু ইয়াতে নাগ পূজা

কৰিছিল বাবে এই গাঁওৰ নাম নাগোপাৰা হ'ল ।

(শ্ৰীফনীন্দ্ৰ বড়োৰ পৰা সংগৃহীত)

**১৮। ৰায়পাৰাঃ** ৰায়পাৰাৰ প্ৰাচীন নাম লাইপাৰাহে । পাচত চৰকাৰৰ তৰফৰ পৰা (চৌধুৰী বংশৰ কোচ ৰাজবংশী) মানুহ প্ৰশাসনিক ক্ষমতা পাই ৰাইজৰ বিভিন্ন সমস্যাৰাজিৰ ওপৰত আলোচনা মৰ্মে ৰায় দিছিল বাবে এই গাঁওৰ নাম ৰায়পাৰা হ'ল । এই গাঁওৰে গোঁসানীথানত মাটিৰ ওপৰত সমতল তথা উলম্বভাবে শিলপোতা আছে । ইয়াকে গাৰো-গাৰোনী থান বোলে । বৰ্তমান এই থানত লাঙামাৰা পূজা হয়। উল্লেখ্য যে এই থানত প্ৰায়ে বাকাৰাপাৰা নিবাসী মাৰে গীতৰ ওজা ভোঁহৰা ওজা (মুছলিম) গীত পৰিবেশন কৰিছিল। এই গাৱঁৰ ভিতৰতে আছে- ডাকুৱা পাৰা আৰু ঢোলমিহিপাৰা (মাৰৈ পূজাত ঢোল বজোৱা ব্যক্তিৰ চুবুৰী)।

(শ্ৰীপূৰ্ণ চৌধুৰীৰ পৰা সংগৃহীত)

**১৯। খলিহা ঃ** খলিহা নামৰ এবিধ বনৌষধী গছ এই ঠাইত বেছিকৈ আছিল বাবেই এই গাঁওৰ নাম খলিহা হয়। (শ্ৰীহেমেন দাস)। এইখন লুকী ৰাইজৰ ৰাজধানী আছিল। ৰজাৰ সৈন্যৰ বাবে কোঠ, ৰজাদিনীয়া পুখুৰী, ৰজাদিনীয়া ৰাজ হাউলী ভগ্নাৱশেষ আছে । শ্ৰুতিকথামতে অপৰাধ মূলক কামত দোষীসাব্যস্ত হোৱা ব্যক্তিক শূলত দি সংখ্যা অনুপাতে ৰজাই গছ পুলি ৰোপন কৰিবলৈ আদেশ দিছিল।

(শ্ৰীধনঞ্জয় ৰাভাৰ পৰা সংগৃহীত)

**২০। দিলিঙা ঃ** বড়ো মূলীয় শব্দ দৈ অৰ্থাৎ পানী, লুঙা অৰ্থাৎ খাই নেপেলোৱা (পানীয়ে শস্য নষ্ট কৰিব নোৱাৰা ঠাই) পৰা এই গাঁওৰ নাম হোৱা বুলি কিছুমানে কয় । কিয়নো বাৰিষা বেলেগত বানপানী হলেও এই ঠাইত নহৈছিল আৰু খেতি বাতি ঠিকে-ঠাকে আছিল । দলবাৰী লাঙামাৰে থানৰ দল শব্দৰ লগত গাৰোবিলাকৰ লিংগ (অৰ্থাৎ লিংগদেও যাক ৰাভা, বড়ো সকলে লাঙা বুলি কয়) শব্দ যোগ হৈ দিলিঙা গাঁওৰ নামাকৰণ হোৱা বুলিও কিছুমানে কয়।

(শ্ৰীসনাতন দাসৰ পৰা সংগৃহীত)

**২১। নোৱাপাৰা ঃ** পূৰ্বতে এই গাঁওক ৰাক্ষসপাৰা (যত আগতে ভূত প্ৰেতৰ পূজা কৰিছিল) বুলিছিল। বৰ্তমান এই গাৱঁখন নোৱাপাৰা নামেৰে চৰকাৰী ভাৱে নথিভুক্ত কৰা হৈছে ।

( শ্ৰীধনেশ্বৰ বড়োৰ পৰা সংগৃহীত) ।

**২২। লুকী ঃ** লুকীৰ পূৰ্বৰ নাম আছিল কুলুং। আগৰ ৰাজবংশৰ শেষ ৰজা পৰা জালুকে (যাৰ চকু দুটা পকা জলকীয়াৰ দৰে ৰঙা আছিল ) ভনীয়েকৰ লগত অসামাজিক সম্পৰ্ক কৰি লাজ পাই চিৰদিনৰ বাবে জংগলত লুকাই থাকিল (পানীত ডুবি আত্মহত্যা কৰিল) বাবেই ৰাজ্যখনৰ নাম হ'লগৈ লুকী ।

প্ৰশাসনিক কামত সুবিধাৰ হেতুকে এই ৰাজ্যখনক লুকী আৰু বেকেলী মৌজালৈ ১৯২২ চনত বিভক্ত কৰায়।

(শ্ৰীবীৰেণ ৰাভাৰ পৰা সংগৃহীত)

**২৩। বৰিপাৰা ঃ** লুকীৰাজ্যৰ ৰজা-ৰাণীক ঢোলে-ডগৰে বৰিবলৈ এহি গাঁৱৰ মানুহক দায়িত্ব দিয়া হৈছিল বাবেই এই গাঁৱৰনাম বৰিপাৰা হ'ল।

(শ্ৰীঅমিয় কুমাৰ ৰয়ৰ পৰা সংগৃহীত)

**২৪। ডেকাপাৰা ঃ** মানৰ আক্ৰমণৰ সময়ত নবীন ডেকা নামৰ ব্যক্তি এজনে এই ঠাইত লুকাই থাকি পিচত গাওঁ স্থাপন কৰিছিল বাবেই এই গাঁৱৰ নাম ডেকাপাৰা হ'লগৈ।

(শ্ৰীবিনয় পাটোৱাৰীৰ পৰা সংগৃহীত)

**২৫। পুখুৰীপাৰা ঃ** ৰজাদিনীয়া পুখুৰীৰ পাৰত এই গাঁও স্থাপন কৰা হৈছিল বাবেই পাচত পুখুৰীপাৰা ৰূপত নথিভুক্ত হ'ল।

**২৬। বড়পাৰা-ভালাপাৰা ঃ** এই গাঁৱত আগতে ভালা গছ ভৰি আছিল লগতে খুব ডাঙৰ আছিল কাৰণে বড়পাৰা ভালাপাৰা বোলা হয়। লুকী ৰজা তথা চুকুনীয়াপাৰা ৰাইজ অন্যান্য প্ৰজা সকলে ইয়াত থকা থানত মাৰেপূজা আড়ম্বৰেৰে কৰিছিল।পূজাৰ সময়ত চুকুনীয়া ৰাইজক আদৰিবৰ বাবে ৰজাই দিয়া বৰটোপ ফুটোৱা হৈছিল।

(শ্ৰীধনঞ্জয় ৰাভাৰ পৰা সংগৃহীত) ।

**২৭। ধোপগুৰি, বোন্দাপাৰা আৰু ধুপধৰাঃ** এডাল সুবিশাল ধোপগছৰ তলত ডেকা ল'ৰাবোৰে ধোপখেলা আৰম্ভ কৰিছিল বাবেই সেই ঠাইৰ নাম ধোপগুৰি। বোন্দাপাৰাত দৰ্শকবোৰে বোন্দাপৰ দি ধোপগুৰিৰ পৰা নিয়া ধোপখেলা চাৱলৈ অপেক্ষা কৰিছিল বাবেই সেই ঠাইৰ নাম বোন্দাপাৰা আৰু ধুপধৰাত খেলুৱৈবোৰে ধোপৰ বলটো ধৰিছিল বাবেই পাচলৈ ঠাইখনৰ মাম ধোপধৰা অৰ্থাত ধুপধৰা হ'লগৈ ।

(শ্ৰীপৰেশ ৰাভাৰ পৰা সংগৃহীত) ।

**২৮। কুকুৰমাৰাঃ** ৰজাবংশীয় কোঁৱৰ এজনে নিজৰ ভণীয়েকৰ লগত অসামাজিক কাম কৰি ধৰা পৰাত ৰজাই কুঁৱৰীক এই ঠাইতে মাৰিছিল বাবেই ঠাইখনৰ নাম কুঁৱৰীমাৰা আৰু পাচলৈ কুকুৰমাৰা হ'লগৈ ।(শ্ৰীপ্ৰফুল্ল বড়োৰ পৰা সংগৃহীত)

**২৯। চুকুনীয়াপাৰাঃ** লুকী ৰজাই এই ঠাইৰ পৰা খেতিয়কসকলক

চুকানী চুক্তিত মাটি দিছিল বাবেই এই ঠাইৰ নাম চুকুনীয়াপাৰা হ'ল। (শ্ৰীইন্দ্ৰ ৰাভাৰ পৰা সংগৃহীত)

৩০। **গাধপুতাঃ** ইংৰাজবোৰে এই ঠাইতে মৰাগাধ পুতিছিল বাবে গাওৰ নাম হ'লগৈ গাধপুতা।

(শ্ৰীহেম ৰাভাৰ পৰা সংগৃহীত)

৩১। **চৈকাটাঃ** এই গাওঁ প্ৰথম প্ৰতিষ্ঠা কৰোঁতা সকলে চাৰিওফালে (চৌ) জংগল কাটি চাফা কৰিছিল বাবেই এই গাঁৱৰ নাম চৈকাটা হ'ল।

(শ্ৰীহেম ৰাভাৰ পৰা সংগৃহীত)

৩২। **শিংৰাঃ** সাহিত্যিক ঁনবীন ৰাভাদেৱে ৰাভা ৰজা দদান বংশীয় ৰাজকোঁৱৰ চেংগুৰাৰ পৰা শিংৰা নামটো হোৱা বুলি ব্যাখ্যা আগবঢ়াইছে।

৩৩। **হাহিমঃ** হাহিম নামটো জন্ম হোৱাৰ ক্ষেত্ৰত কেইবাটাও ব্যাখ্যা আগবঢ়োৱা হৈছে-

(১) ইয়াত হাকিম নামৰ ৰজা এজনে ৰাজত্ব কৰিছিল ।

(২) ৰাভা ভাষাত হা মানে মাটি আৰু হেম মানে ঢাক। ইয়াত মানুহে ঢাক-ঢোল বজাই হাহি-ফুৰ্তি কৰিছিল।

(শ্ৰীধনঞ্জয় ৰাভাৰ পৰা সংগৃহীত)

৩৪। **খাটাজুলি ঃ** চৰকাৰী কামৰ বাবে যোৱা লুকী ৰাজ্যৰ ৰাণী এই গাঁৱলৈ যাঁওতে শুৱলৈ দিয়া খাটখন চুটি বাবেই গাঁৱৰ নাম খাটাজুলি হ'ল।

(শ্ৰীধনঞ্জয় ৰাভাৰ পৰা সংগৃহীত)

৩৫। **কম্পাদলী ঃ** ইয়াতে কম্পা নামৰ গাৰো ব্যক্তি এজনে পানীত ডুবি মৰিছিল। সেয়েহে কম্পাডুবি- পাচত কম্পাতলী হ'লগৈ।

৩৬। **লাম্পিঃ** কাৰ্বিআংলঙৰ হামৰেণ মহকুমাৰ কাৰ্বিলাম্পী জলবিদ্যুত প্ৰকল্প আছে। খাছি ভাষাত ঃ Lam: Bring , Lead, আৰু Phi: You

৩৭। **গোহালকোণা ঃ** আগতে গোহালকোণাৰ নাম আছিল বহলকোণা। পাহাৰৰ ওপৰত গাৰোবিলাকৰ বুঢ়া-বুঢ়ী থান আছে আগতে তাতে পূজা কৰিছিল। ইয়াত গাৰোবিলাকৰ ডেকোচাং আৰু গাভৰু চাং আছে। ইয়াৰ কাষতে থকা বকোঝৰা পাহাৰত গাৰোসকলে পূৰ্বতে ৰাঙামাল পূজা কৰিছিল। ইয়াতে ৰংটোটুৰিপাহাৰত (গাৰো ভাষাত ৰং মানে শিল আৰু টোটুৰি মানে জুম বান্ধি থকা) দুটা শিল ওচৰা-ওচৰিকৈ আছে। ইয়াত বৃটিছ চৰকাৰে টিপ বনাই পতাকা ৰাখিছিল। হুদু আকৃতিৰ শিল আছে বাবে পাহাৰখনক হুদুৱা পাহাৰ বোলা হয়। ডেকাচাঙত এজোপা বিজুলী বাঁহ আছে। প্ৰবাদ আছে এই বাঁহজোপা কেতিয়াও নাবাঢ়ে, নুটুটে আৰু কোনেও নাকাটে ।

৩৮। **খটখটি ঃ** এই গাঁৱৰ কথা কৰলৈ গলে ৰজা আৰিমত্তৰ কথা কবই লাগিব। কথিত আছে যে ঠিক কামাখ্যা আৰু নৰকাসুৰ কাহিনীৰ দৰেই এই অঞ্চলৰ গোঁসানী দেখি ৰজা আৰিমত্তই বিবাহৰ প্ৰস্তাৱ দিয়াত দেৱীয়ে এনিশাৰ ভিতৰত কুকুৰা ডাক্ দিয়াৰ আগতে এই পাহাৰত খটখটি বনাই দিব পাৰিলে বিবাহত বহাৰ চৰ্ত আৰোপ কৰিছিল । আৰিমত্তই এনিশাৰ ভিতৰতে খটখটি বনাইছিল যদিও ইতিমধ্যে কুকুৰাই ডাক্ দিয়াত খটখটি সম্পূৰ্ণ কৰিব পৰা নহ'ল আৰু দেৱীৰ সতে বিবাহ ন'হল।

অনুসন্ধানমৰ্মে এইটো ধাৰণা হয় যে খটখটি গাঁৱৰ ওচৰে-পাজৰে বিভিন্ন ৰজাৰ ৰাজহাউলী আছিল আৰু খটখটি পাহাৰৰ পৰাই শত্ৰু সৈন্যৰ অৱস্থান পৰ্যবেক্ষণ কৰিছিল আৰু পাহাৰৰ টিঙত উঠিবলৈ খটখটি নিৰ্মাণ কৰিছিল।

৩৯। **বামুণীগাঁও ঃ** বনগাঁও ৰাজ্যত বাস কৰা এজন ব্ৰাহ্মণে পূজা-পাতল কৰাৰ ক্ষেত্ৰত ( বনগাঁও মাৰে) বনগাওঁ ৰাইজৰ অনুভূতিত আঘাত কৰা মন্তব্য আগবঢ়াইছিল (শ্ৰুতি কথামতে এই ব্ৰাহ্মণজন গাৰ বৰণ কলা আছিল) । পাচত ৰাইজে বিচাৰৰ বাবে বনগাওঁ মাৰেথলীলৈ মতাত সাৰাৰ আগত কৈছিল- তেখেতে নাযায় আৰু উচটনিমূলক কথাৰে কৈছিল- (কি! নগ'লে জীয়াই জীয়াই গাৰচাল কাঢ়ি ডগৰ চিলাব নেকি! এই কথা শুনি ৰাইজে ব্ৰাহ্মণজনক ধৰি আনি চাল কাঢ়ি মাৰে পূজাৰ ডগৰ চিলাইছিল। ব্ৰাহ্মণজনক মৰাৰ পিছত তেখেতৰ ঘৈণীয়েকে আহি ইনাই বিণাই কান্দিবলৈ আৰম্ভ কৰিলে আৰু ৰাইজে নিজৰ ভুলৰ বাবে ব্ৰাহ্মণীক ক্ষমা খুজি বৰ্ত্তমান বামুণী গাৱত থাকিবলৈ সুবিধা কৰি দিলে। সেই বাবে ঠাইখনৰ নাম বামুণীগাঁও হ'লগৈ।

# গাণিতিক চিন্তা-যুক্তি আৰু সৌন্দৰ্য

ড° দীপাংকৰ শৰ্মা
গণিত বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়

The essence of Mathematics is not to make simple things complecated, but to make complecated things simple.................................

গণিত হ'ল যুক্তিৰ আধাৰত প্ৰতিস্থিত এটা বিষয় য'ত বিভিন্ন প্ৰতীক চিহ্ন ব্যৱহাৰ কৰা হয় বাবে ই নিজেই এটা ভাষাৰ নিচিনা। এটা ভাষা জানিবলৈ যেনেদৰে তাৰ বৰ্ণমালা ভালদৰে জনাটো আৱশ্যক তেনেকৈয়ে গণিতৰ জগতত প্ৰৱেশ কৰিবলৈ বা তাৰ সৌন্দৰ্য উপলব্ধি কৰিবলৈ ইয়াৰ আদিপাঠ গুৰুত্বৰে আৰু পৰিপাটি ভাৱে অধ্যয়নৰ প্ৰয়োজন হয়। নতুনকৈ পোৱা প্ৰতিটো গাণিতিক চিহ্নৰ ব্যৱহাৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰবোৰ জনাৰ পিছত গণিত শিকাৰ আগ্ৰহ হ্ৰাস পাব নোৱাৰে। গণিত ভাল পোৱা বা নোপোৱা আৰু সহজ বা টান পোৱাটো দৰাচলতে নিৰ্ভৰ কৰে প্ৰথম অৱস্থাৰ পৰা ইয়াক কেনেদৰে শিকোৱা হৈছে বা কেনেদৰে শিকা হৈছে তাৰ ওপৰতহে। এইখিনিতে মহামানৱ মহাত্মা গান্ধীৰ আত্মজীৱনীত লিখা কথাখিনি মনকৰিবলগীয়া। .....জ্যামিতিত মই অলপো চোকা নাছিলো। বিষয়টো ইংৰাজীৰে শিকোৱাত ই মোৰ পক্ষে যথেষ্ট কঠিন হৈ পৰিল। পৰিশ্ৰম কৰি ইউক্লিডৰ ত্ৰয়োদশ প্ৰতিজ্ঞা পাওতে হঠাতে বিষয়টো উজু হিচাবে মোৰ ওচৰত প্ৰকাশিত হয়। যিটো বিষয় শিকিবলৈ এজনৰ যুক্তিৰ ব্যৱহাৰহে লাগে, সেই বিষয় কেতিয়াও টান হ'ব নোৱাৰে। তেতিয়াৰে পৰা জ্যামিতি মোৰ বাবে বৰ উজু হৈ পৰে.....।

সচাঁকৈয়ে গণিতৰ উত্তৰণ হয় যুক্তিৰ বিশ্লেষণৰ মাজেৰে। ইয়াত সন্দেহজনক একো নাথাকে। সকলো উক্তিৰে সত্যতা মূল্য থাকে। সঁচা বা মিছা। উত্তৰণৰ প্ৰতিটো স্তৰতে তাৰ আগৰ স্তৰৰ প্ৰাৰম্ভিক তথ্যই সহায় কৰে। গাণিতিক চিন্তাৰ শৃংখলিত আৰু শুদ্ধ ৰূপৰ বৰ্ণনাৰ বাবে আয়ান ষ্টিৱাৰ্টৰ ( Ian stewart) জনপ্ৰিয় গ্ৰন্থ Concept of modern Mathematics(1975) ত থকা এটা কাহিনী উল্লেখনীয়। .........এবাৰ এগৰাকী জ্যোতিৰ্বিজ্ঞানী, এজন পদাৰ্থ বিজ্ঞানী আৰু এজন গণিতজ্ঞ স্কটলেণ্ডলৈ বন্ধৰ দিন কটাবলৈ গ'ল। ট্ৰেইনৰ খিৰিকীৰে পথাৰৰ মাজত তেওঁলোকে এটা ক'লা-ভেড়া দেখিলে। জ্যোতিৰ্বিজ্ঞানীজনে ক'লে -"স্কটলেণ্ডৰ ভেড়াবোৰ ক'লা।" তাকে শুনি পদাৰ্থ বিজ্ঞানী জনে ক'লে,-"নহয় স্কটলেণ্ডৰ কিছুমান ভেড়া ক'লা।" শেষত গণিতজ্ঞজনে ক'লে-"স্কটলেণ্ডৰ এখন পথাৰত আমি এটা ভেড়া দেখিলোঁ, যাৰ অন্ততঃ এটা ফাল ক'লা।" ( কাৰণ ভেড়াটোৰ সিটো ফাল দেখাৰ সৌভাগ্য তেওঁলোকৰ নহ'ল।) বিশ্বৰ মহান গণিতজ্ঞ সকলৰ কৰ্মৰাজি লক্ষ্য কৰিলে আমি দেখা পাওঁ যে প্ৰতিজন গণিতজ্ঞই একোজন দাৰ্শনিক। গণিত অধ্যয়নে তেওঁলোকৰ দৰ্শনত প্ৰভাৱ পেলোৱাৰ বিষয়ে আমি বিভিন্ন সময়ত অধ্যয়ন কৰিছো।

যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত হ'লেও গণিতৰ সৃষ্টিশীলতাৰ ক্ষেত্ৰত যুক্তিতকৈ তাৰ অন্তৰ্নিহিত সৌন্দৰ্যৰ গুৰুত্বহে অধিক হোৱা দেখা যায়। উচ্চ পৰ্যায়ৰ বা শুদ্ধ গণিতত যুক্তিৰ লগে লগে গণিতৰ নান্দনিক সৌন্দৰ্যও বৃদ্ধি পায়। প্ৰখ্যাত দাৰ্শনিক বাৰ্টাণ্ড ৰাছেলে উল্লেখ কৰিছে- গণিত মাথো সত্যৰহে আধাৰ এনে নহয়। সৰ্বোত্তম সৌন্দৰ্যৰ উপস্থিতিও ইয়াত লক্ষ্য কৰা যায়। ভাস্কৰ্যৰ দৰে এই সৌন্দৰ্য শীতল আৰু নৈতিক গুণ

সম্পন্ন, যাৰ আস্বাদন দুৰ্বল প্ৰকৃতিৰ ব্যক্তিৰ পক্ষে সম্ভৱ নহয়। চিত্ৰ আৰু সঙ্গীতৰ উজ্জ্বল বহিৰঙ্গ গণিতত বিদ্যমান নহয়। ই এক বিশুদ্ধ সৌন্দৰ্য। জি. এইচ্ হাৰ্ডিৰ মতেও গণিতজ্ঞ এজনে শিল্পী বা কবিৰ দৰে কিছুমান চানেকি বা আৰ্হি সৃষ্টি কৰে। কবিতা বা চিত্ৰৰ দৰে এইবোৰ অতিব সুন্দৰ। ব্যক্তিভেদে এই সুন্দৰৰ অনুভৱ ভিন্ন ধৰণৰ হয়। গণিতৰ আভ্যন্তৰিণ সৌন্দৰ্ৰ মূলতে হ'ল ইয়াৰ যুক্তিপূৰ্ণ সামঞ্জস্যতা, শৃংখলাবদ্ধতা, সমমিতি ইত্যাদি। নন্দন তত্ত্বৰ প্ৰৱৰ্তক ব'ম গাৰ্টেনে উল্লেখ কৰিছে যে পাৰস্পৰিক সম্বন্ধ যুক্ত অংশবোৰৰ সুশৃংখল বিন্যাস আৰু সামুহিক সুসামাঞ্জস্য পূৰ্ণ সম্পৰ্কই হ'ল সৌন্দৰ্য। গণিত বিষয়টোত এই সৌন্দৰ্য সদায় বিদ্যমান।

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাৰ সকলো সৃষ্টিতে আমি সদায় সামঞ্জস্যতা বা সমমিত ৰূপ দেখি আপ্লুত হওঁ। গ্ৰহ নক্ষত্ৰ, জীৱজন্তু, গছগছনি সকলো বস্তুৰে সমমিত ৰূপ অতীজৰে পৰা জ্যোতিৰ্বিজ্ঞানীকে ধৰি সমগ্ৰ মানৱজাতিয়ে স্বীকাৰ কৰিছে। পদাৰ্থৰ বৃহৎ অৱস্থাৰ পৰা ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশলৈ এই সমমিত ৰূপ বা সামাঞ্জস্যতা সচাঁকৈয়ে মন কৰিবলগীয়া। গণিতৰ ক্ষেত্ৰতো প্ৰকৃতিৰ দৰে এই শৃংখলিত ৰূপৰ ব্যতিক্ৰম নঘটে। নিজকে সদায় শৃংখলিত ৰূপত প্ৰকাশ কৰাৰ উপৰিও গণিতে আনকো বিশৃংখলতাৰ পৰা শৃংখলতালৈ অনাত সহায় কৰিছে। কথিত আছে যে বাৰ্টাণ্ড ৰাছেলে হেনো এটা সময়ত তেওঁৰ উত্তেজিত স্নায়ুক শীতল কৰিবলৈ $x^3+y^3+z^3-3xyz$ ৰ উৎপাদক কেইটা বাৰে বাৰে আওঁৰাইছিল।

চিকিৎসা বিজ্ঞানত যেনেকৈ সুন্দৰ সঙ্গীতৰ দ্বাৰা বহুতো জটিলৰোগ নিৰাময়ৰ ব্যৱস্থা অতীজৰে পৰা চলি আছে, তেনেকৈয়ে হয়তো গণিতৰ উপযুক্ত ব্যৱহাৰে মানুহৰ অসন্তুলিত মানসিক অৱস্থাক সন্তুলিত কৰাত সহায়ক হ'ব পাৰে। গণিতৰ আভ্যন্তৰিণ নান্দনিক সৌন্দৰ্যই মানুহৰ মন বা মগজুত উপযুক্ত প্ৰভাৱেৰে সন্মোহিত কৰাত সহায়ক হ'ব পাৰে। এইখিনিতে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'সাহিত্যৰ পথে' গ্ৰন্থত থকা দুটা বাক্যৰে আলোচনাটি সামৰিছোঁ। "—— উচ্চ অঙ্গেৰ গণিতৰ মধ্যে যে একটি গভীৰ সৌষম্য, একটি ঐক্যৰূপ আছে, নিঃসন্দেহে গাণিতিক তাৰ মধ্যে আপনাকে নিমগ্ন কৰে। তাৰ সামঞ্জস্যৰ তথ্যটি শুধু জ্ঞানেৰ নয়, তা নিবিড় অনুভূতিৰ, তাতে বিশুদ্ধ আনন্দ।——— "

প্ৰসঙ্গপুথি ঃ


১। The world of Mathematics -vol-3- Edited by James Newman

২। গণিত ঃ এক মৌলিক বিমূৰ্ত্ত আচ্ছাদন - অসম গণিত শিক্ষায়তন।

৩। গাণিতীক চিন্তা- ড° দিলীপ শৰ্মা।

# Results and Achievements oF J.N.College, Boko

Binaya Devi
Dept. Anthropology
Bhairabi Baro
Dept. Bodo

1964 :Introduction of Arts Stream
1968 : Arts Stream was brought under Deficit Grant in Aid System by Govt. Of Assam.
1986 :Introduction of Science Stream
1998:Science Stream was Brought under Deficit Grant in Aid System by Govt. of Assam

**Results :**

| YEAR | Number of Graduates |
|---|---|
| 1968 | 05 |
| 1969 | 05 |
| 1970 | 07 |
| 1971 | 05 |
| 1972 | 09 |
| 1973 | 22 |
| 1974 | 34 |
| 1975 | 37 |
| 1976 | 11 |
| 1977 | 13 |
| 1978 | 27 |
| 1979 | 20 |
| 1981 | 17 |
| 1982 | 20 |
| 1983 | 08 |
| 1984 | 21 |
| 1985 | 32 |
| 1986 | 21 |
| 1987 | 26 |
| 1988 | 48 |
| 1989 | 36 |
| 1990 | 33 |
| 1991 | 42 |
| 1992 | 51 |
| 1993 | Sc. (Data is not available)<br>58(Arts) |
| 1994 | 75 (Arts) |
| 1995 | 72 (Arts) |
| 1996 | 59(Arts) |
| 1997 | 47 (Arts)<br>04 (Sc) |
| 1998 | 49(Arts),<br>03 (Sc.) |
| 1999 | 48(Arts)<br>10(Science) |
| 2000 | 56(Arts)<br>07(Science) |
| 2001 | 42 (Arts )<br>08 (Science) |
| 2002 | 45(Arts)<br>22(Science) |
| 2003 | 43(Arts)<br>12(Science) |
| 2004 | 59(Arts)<br>7(Science) |
| 2005 | 65(Arts)<br>12(Science) |
| 2006 | 25 (Arts)<br>16 (Sciecne) |
| 2007 | 34(Arts graduates with major)<br>12(Science graduates with major) |
| 2008 | 41 (Arts)<br>Sc. (Data is not available) |
| 2009 | 40(Arts)<br>4(Science) |
| 2010 | 40(Arts)<br>9(Science) |
| 2011 | 100(Arts)<br>24(Science) |
| 2012 | 129(Arts)<br>23(Science) |
| 2013 | 118 (Arts)<br>11 (Science) |

2014 228 (Arts)
24 (Science)

**ACHIEVEMENTS:**

1973 :

Balen Rabha : Gold medal in traditional Tribal Song in Inter-College Competition, 1973 held in GU.

76-77 :

Bharat Choudhury : Best Cadet of the N.S.S. Spl. Camp at Nagarbera B.P. Chaliha College.

1982:

Ranju Rani Kalita: 3rd Prize in the recitation of Assamese poem in Inter-college Youth Festival 1982 held in G. U.

Jyotsna Rabha: 1st Prize in Rabha geet in Inter-college Youth Festival (G.U), in 1982.

Hira Rabha : 3rd prize in traditional Tribal Song.

1985:

Pradip Kr. Kalita : 2nd Pize in Bhupendra Sangit All Assam Bhupendra Sangit Copetition, Nagoan

1986:

Jiten Kalita: 2nd Prize in Body Building in Inter-college competition, 1986.

1988:

Jiten Kalita : Gold medal in Body Building competition in Inter-college Sports Festival held in G.U. in 1988.

1995:

Sankar Pathak: 2nd Prize in All Assam Arm Wrestling competition held in 1995 at Sualkuchi

1997-98:

Basistha dev Sarma: 2nd Prize in District level(Kamrup)Inter-college Debating competition held at North Gauhati College.

1998- 99 Session :

Rubul Brahma: 1st Prize in All Assam Inter-college Panza competition (50 – 55) kg group

Lokapriya Das: 2nd Prize in All Assam Inter-college Panza competition (45 -50) kg

Biswajit Kalita: 1st Prize in All Assam Inter-college Panza competition (50 -55) kg

Mintu Dakua: 1st Prize in All Assam Inter-college Panza competition (45 -50) kg

1999 – 2000:

Bipul Kalita: 1St Prize in District level (Kamrup District) Quiz competition

Bipul Kalita: 2nd Prize in District level (Kamrup District) Recitation competition of the poem of Jyotiprasad Agarwal.

Surath Chandra Rabha: 1St Prize in District level (Kamrup District) Quiz competition

Nripen Kalita: 2nd Prize in All Assam Inter-college Panza competition

Nripen Kalita: 1St Prize in District level (Kamrup District) Panza competition

2000-2001

Bulumoni Rabha: Gold medal in Inter-college Youth Festival in Bishnu Rabha sangeet and Folk song.

Kuldeep Bayan and Debajit Bora: 1st Prize in South Kamrup Inter-college Quiz competition, held in Chaygaon College.

2001-2002

Bulumoni Rabha: Gold medal in Inter-college Youth Festival in Bishnu Rabha sangeet, Jyoti sangeet and Folk song.

Rabin Chandra Rabha: 3rd Prize in Inter-college Youth Festival in Traditional Tribal song.

Kuldeep Bayan and Debajit Bora: 3rd Prize in District level Quiz competition, named "Knowing Assam Through Quiz" held in D. K. College.

2004 –2005

Mausumi Daimarry :Gold medal in Judo competition in 12th All Assam Judo championship

2006 -2007

Mausumi Daimarry: Champion in Kabaddi in All Assam Rural Sports Tournament.

Usharani Boro: Bronze medal in Wushu Competition in 33rd National games held in Gauhati

Mantu Boro: Bronze medal in Wushu Competition in 33rd National games held in Gauhati

2009 : Rinku Rabha : Winner of 2nd prize in Poster Making, 3rd prize in College competition in inter College youth Festival, GU 2009

Phanindra Rabha : Winner 3rd prize in clay Modeling Competition in inter College youth Festival GU 2009

2010 :

Madhu Ram Boro: 3rd Prize in Wushu competition in Kamrup District Wushu Campionship, 2010.

Madhu Ram Boro: 3rd Prize in Wushu in Xth Junior All Assam Wushu Campionship, 2010.

Jyotiprabha Adhikari : Special Award, Vidhyarthi